১০। তলত দিয়াবোৰৰ পৰা চুলতান মহম্মদ পৌলে কি দুটা প্ৰধান নীতি শিকিছিল, কেইটামান বাক্যৰে সাৰাংশ লিখক। কোৰাণ ১৯ঃ৭১-৭২ আৰু ১১ঃ১১৮, ১১৯ মিশকাত শ্বৰীফত থকা ইয়াৰ ব্যাখ্যা।

১১। হাদিছসমূহে দেখুৱাৰ দৰে নাজাত সম্পৰ্কে চুলতান মহম্মদ পৌলে কি তিনিটা বিষয় পাইছিল। এই বিষয়ত কৰা গৱেষণাৰ অন্তত তেওঁৰ অৱস্থা কেনে হৈছিল ?

১২। পৌৰাণিক হাদিছসমূহ গৱেষণা কৰাৰ অন্তত চুলতান মহম্মদ পৌলে মথিৰ শুভবাৰ্ত্তা পুস্তকত পোৱা আয়াত উল্লেখ কৰক। এই আয়াতসমূহে তেওঁৰ ওপৰত কেনে ধৰণে প্ৰতিক্ৰিয়া কৰিছিল ?

১৩। চুলতান মহম্মদ পৌলৰ কোন দুটা বিষয়ৰ সিদ্ধান্তই ঈছা মছীহৰ বিশেষ দাবীৰ প্ৰতি সমৰ্থন জনাইছিল ?

১৪। 'ঈছা মছীহে গুনাহৰ কাফ্ফাৰা দিবৰ বাবে নিজকে কোৰবান কৰাৰ কি প্ৰয়োজন আছিল ? তেওঁ নিজৰ জীৱন কোৰবান নকৰাকৈ নাজাত দিব নোৱাৰিলেহেঁতেন নে ? চুলতান মহম্মদ পৌলে তেওঁৰ এই প্ৰশ্নবোৰৰ উত্তৰত কি পাইছিল ?

১৫। আল্লাহ পাকে আমালৈ তেওঁৰ মহব্বত প্ৰকাশ কৰা ইঞ্জিল শ্বৰীফৰ আয়াতসমূহ উল্লেখ কৰক।

১৬। ধৰ্মৰ মূল উদ্দেশ্য আৰু ভিত্তিমূল কি ? এই প্ৰশ্নৰ সমৰ্থনত ৰোমীয়া পুস্তকৰ কথাংশ উল্লেখ কৰক।

১৭। চুলতান মহম্মদ পৌলে তেওঁ ঈছা মছীহত নিজ জীৱন সমৰ্পন কৰাৰ পাছত তেওঁৰ মুছলমান বন্ধুবোৰে কি পৰিবৰ্তন লক্ষ্য কৰিছিল ?

যদি মছীহি বিশ্বাস সম্পৰ্কে আপোনাৰ কিবা সুধিবলগীয়া প্ৰশ্ন আছে তেনেহ'লে সেইবোৰৰ উত্তৰ দিবলৈ পালে আমি সুখী হম। চিঠিৰ ভিতৰত আৰু খামৰ ওপৰত আপোনাৰ সম্পূৰ্ণ নাম আৰু ঠিকনা লিখিবলৈ পাহৰি নাযাব।

আপোনাৰ উত্তৰসমূহ বা কিবা জানিব লগা প্ৰশ্ন তলৰ যিকোনো এটা ঠিকনাত পঠাব পাৰে।

***Dar-Ul-Masih***
Post Box No 234
Guwahati - 781001.



# মই কিয় মছীহি হ'লো ?

***চুলতান মহম্মদ পৌল***

***দাৰ-উল-মছীহ,***
ডাক বাকচ নং ঃ ২৩৪,
গুৱাহাটী-৭৮১০০১



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

# মই কিয় মছীহি হলো ?

Assamese Translation of "**WHY I BECAME A CHRISTIAN"** a personal story of Sultan Muhammed Paul, Translated into Assamese by Mrs. Jitumoni Deka and Mr. Nizamul Haque, edited by Khursheed Alam and Published by: *Dar-ul-Masih,* Guwahati, Assam. Price Rs. 8/ Only.

Published by :

**The Good Way,** Rikon, Switzerland.

প্ৰথম প্ৰকাশ ঃ এপ্ৰিল/ ২০০২
পঞ্চম প্ৰকাশ ঃ জুলাই/ ২০০৯

অসমীয়া সংস্কৰণ: দ্বাৰ-উল-মছীহ
ডাক বাকচ নং: ২৩৪
গুৱাহাটী-৭৮১ ০০১, অসম।

© প্ৰকাশ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

মূল্য: ০৮/ টকা মাত্ৰ

১০০০ কপি

Printed at: **ComPress**, Ambari, Guwahati-1.



# প্ৰশ্ন

প্ৰিয় পাঠক/পাঠিকা,

যদিহে আপুনি এই কিতাপখন গুৰুত্ব সহকাৰে অধ্যয়ন কৰিছে, তেনেহ'লে তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ অতি সহজে লিখিব পাৰিব। আপোনাৰ উত্তৰ সমূহ আমালৈ পঠিয়াওক। আপোনাৰ ১২ টা উত্তৰ শুদ্ধ হ'লে আমি আমাৰ আন এখন কিতাপ আপোনালৈ উপহাৰ স্বৰূপে পঠিয়াম।

**অনুগ্ৰহ কৰি আপোনাৰ সম্পূৰ্ণ নাম ঠিকনা লিখিবলৈ নাপাহৰিব।**

১। মানুহৰ 'কু- প্ৰবৃত্তি' মানে কি আৰু ই মানৱ জাতিৰ মাজত কেনেকৈ আপোনা-আপুনি প্ৰকাশিত হয় ?

২। চুলতান মহম্মদ পৌলে কি ধৰণৰ মৌলিক সমস্যাৰ মুখামুখি হৈছিল ?

৩। তলত উদ্ধৃতি দিয়া চুলতান মহম্মদ পৌলৰ প্ৰশ্নৰ বিপৰীতে ইংৰাজ পাদুৰী চাহাবজনে কেনে ধৰণৰ সঁহাৰি জনাইছিল ? 'মই কিয় কিতাবুল মোকাদ্দছ অধ্যয়ন কৰিব লাগে ? আপোনালোকে নিজ ইচ্ছাৰে সাল সলনি কৰা এনে এখন কিতাপ কোনে পঢ়িব ?'

৪। ইছলামত নাজাত থকা নথকা বিষয়ত মুন্সি মনছুৰ মাছীহে দৰ্শোৱা দাবী প্ৰত্যাখ্যান কৰি চুলতান মহম্মদ পৌলৰ কেনে ধাৰণা হৈছিল ?

৫। মুন্সি মনছুৰ মাছীহৰ কথাই চুলতান মহম্মদ পৌলৰ আত্মা কঁপাই যোৱাৰ পিচত কি কাৰণত চুলতান মহম্মদ পৌলে কিতাবুল মোকাদ্দছ পঢ়িবলৈ সিদ্ধান্ত লৈছিল ?

৬। কিহৰ বাবে চুলতান মহম্মদ পৌলে কোৰাণ শ্বৰীফ, কিতাবুল মোকাদ্দছ, জেন এভেষ্টা, সত্যাৰ্থ প্ৰকাশ, এই গ্ৰন্থবোৰৰ তুলনামূলক অধ্যয়ন কৰিছিল ?

৭। চুলতান মহম্মদ পৌলে আদম, ইব্ৰাহীম, ইছলামৰ নবী, আবু বক্কৰ আৰু সমস্ত মানৱ জাতিৰ বিষয়ে কোৰাণত অধ্যয়ন কৰাৰ পিচত, এই আটাইবোৰৰ মাজত ঈছা মছীহত তেওঁ কি পাৰ্থক্য দেখিছিল ?

৮। চুলতান মহম্মদ পৌলে কোৰাণত (৩২ঃ১৯, ৯৯ঃ৭-৮) মানুহে আৰু নাজাত সম্পৰ্কে কি কথা আৱিস্কাৰ কৰিছিল ?

৯। চুলতান মহম্মদ পৌলে পোৱা কিতাবুল মোকাদ্দছৰ আয়াত সমূহৰ ভিতৰত ৩ টা আয়াত উল্লেখ কৰক যিবোৰে ঈছা মছীহক বেগুনাহ বুলি ঘোষণা কৰিছে।



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

দিয়ক যাতে  তেওঁলোকেও আখেৰাতৰ কথা সুঁৰৰি তেওঁলোকে ৰূহানী নাজাতৰ প্ৰয়োজন গভীৰ ভাৱে উপলব্ধি কৰি হজৰত ঈছা মছীহৰ ওচৰত আত্মসমৰ্পন কৰে।

মোৰ মৰমৰ মুছলমান ভাইসকললৈ।

আপোনালোকৰ আত্মিক শুভাকাঙ্খী-
চুলতান মহম্মদ পৌল।

●●●





# সূচনা

আধুনিক মানুহৰ জীৱন পৰিয়াল, জাতি, গোষ্ঠী আদিৰ পৰা উদ্ভৱ হোৱা বিভিন্ন ভুল ধাৰণাৰ হেঁচাত কেকাই আছে। প্ৰত্যেক ব্যক্তি তথা সকলো শ্ৰেণীৰ সমাজে সহজে বুজিব পৰা এই ভুল ধাৰণাবোৰ উদ্ভৱ হৈছে **“আত্মকেন্দ্ৰিকতা”**ৰ পৰা যাক ধৰ্মৰ ভাষাত **“মানুহৰ কু-প্ৰবৃত্তি”** বুলি কোৱা হয়। এইধৰণৰ কুপ্ৰবৃত্তিবোৰ মানুহৰ হৃদয়ত আৱশ্যক অনুসাৰে বহুত গভীৰলৈ শিপাই আছে আৰু সিয়েই সমাজৰ অহিতে সময়ে সময়ে আত্মপ্ৰকাশ কৰে। তদুপৰি এইধৰণৰ নীচ চিন্তা চৰ্চাই আজি আল্লাহৰ পাকৰ বিৰুদ্ধে স্পষ্টকৈ বিদ্ৰোহ প্ৰকাশ কৰি আছে। এনেদৰে আজিৰ মানুহে গুনাহৰ বিষাক্ত পৰিণামৰ ফলত জাগতিক অভিলাষৰ পিছত দৌৰিছে। চুলতান মহম্মদ পৌলে গুনাহৰ এই মৌলিক সমস্যা তথা গুনাহৰ গোলামীৰ পৰা আজাদ হ’বলৈ হকীকতৰ অন্বেষন আৰম্ভ কৰিছিল।

দুনিয়াত প্ৰায় মানুহেই গুনাহৰ সমস্যা আৰু নাজাতৰ ৰাস্তা এই দুটা কথাৰ ওপৰত চিন্তা কৰিবলৈ নাৰাজ। যদিও তেওঁলোকে জানে যে আল্লাহ পাকৰ আগত তেওঁলোকৰ দিল সম্পূৰ্ণ উদং, তথাপি গুনাহ বিষয়ৰ চিন্তা চৰ্চাবোৰ নিজৰ দিলতে আকৌ ঢাকনি লগাই থোৱাৰ দৰে কৰে। এনেধৰণৰ চিন্তা-চৰ্চা কৰা লোকসকলক নাজাতৰ পথত নিবলৈ এই কিতাপখনে কিছু পৰিমাণে হ’লেও সহায়ক হ’ব।  অৱশ্যে এনে লোক দুনিয়াত এতিয়াও আছে, যিসকলে তেওঁলোকৰ জীৱনত নাইবা আন মানুহৰ জীৱনত গুনাহৰ উপস্থিতি আৰু নাজাতৰ প্ৰয়োজনীয়তাৰ বিষয়ে গভীৰভাৱে চিন্তা কৰে। সেইসকল লোকে তেওঁলোকৰ অভিজ্ঞতাসমূহ পৰীক্ষা কৰি চোৱাৰ ক্ষেত্ৰত চুলতান মহম্মদ পৌলৰ এই কিতাপখনে যথেষ্ট সহায় কৰিব। পাঠক পাঠিকাসকলৰ বাবে এই কিতাপখন পথদৰ্শক আৰু আল্লাহ পাকৰ বৰকত্ স্বৰূপ হওঁক! মূল ইংৰাজী কিতাপ খনিৰ লিখক শ্ৰীযুত চুলতান মহম্মদ পৌল আফগানিস্থানৰ এটি মুছলীম পৰিয়ালত জন্ম হোৱা ও পৰৱৰ্ত্তী জীৱনত



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

মছীহি বিশ্বাসত অহা এজন বিখ্যাত আলেম। তেওঁৰ অক্লান্ত পৰিশ্ৰম আৰু অধ্যয়নৰ ফলশ্ৰুতি এই সৰু কিতাপখন।

অনুবাদ কাৰ্যত সহায় কৰা কাৰণে শ্ৰীমতী যীতুমণি ডেকালৈ আন্তৰিক ধন্যবাদ। অসমীয়া সংস্কৰণত অজানিতে ৰৈ যোৱা ভুলৰ বাবে ৰাইজে ক্ষমা কৰে যেন। শেষত কওঁ, কিতাপখনে পঢ়ুৱৈ সমাজক এই বিষয়ে সামগ্ৰিক দিশত উপকৃত কৰিব পাৰিলে আমাৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাৱিম। মহান খোদাৰ মহব্বত, হজৰত ঈছা মছীহৰ অনুগ্ৰহ ও পাক ৰুহুৰ সহভাগিতা আপোনালোক সকলোৰে লগত থাকক। খোদা হাফিজ ।

**প্ৰকাশক**
*দ্বাৰ-উল-মছীহ*
গুৱাহাটী, ২০০৯ চন।





মোক তেওঁৰ লগত নাইবা মুন্সি মনছুৰ মাছীহৰ লগত থাকিবলৈ দিয়া প্ৰস্তাৱত মই দ্বিতীয়টোকে অগ্ৰাধিকাৰ দিয়াৰ সিদ্ধান্ত ললো।

দেওবাৰৰ দিনা হ'ল কি, গোটেই গীৰ্জাঘৰটো মুছলমান মানুহেৰে ভৰি আছিল। এনে বিপদজনক পৰিস্থিতি লৈ চাই পাদুৰী লেজাৰ্ডে মোৰ ত্বৰীকা লোৱা কাম সিদিনালৈ স্থগিত ৰাখিলে। অৱশেষত আল্লাহ পাকৰ অপাৰ দয়া আৰু ৰহমতত ১৯০৩ চনৰ ৩ আগষ্টত বোম্বাই চেন্টপ'ল গীৰ্জাত মোৰ ত্বৰীকা গ্ৰহণ হৈ গ'ল। তলত নাম উল্লেখ কৰা ব্যক্তিসকলৰ উপস্থিতিত মোৰ ত্বৰীকা হৈ যায় ঃ ৰেভা. কেনন লেইজাৰ্ড, যিজনে মোক ত্বৰিকা দিছিল, মুন্সি মনছুৰ মাছীহ আৰু আন দুজন ব্যক্তি তেওঁলোকৰ নাম এই মুহূৰ্ত্তত মই মনত পেলাব পৰা নাই। এই অনুষ্ঠানৰ সামৰণি পৰাৰ লগে লগে মোক কানপুৰলৈ পঠিয়াই দিলে, কিয়নো তেতিয়া মই বোম্বাইত থকাটো অতি বিপদজনক কথা আছিল।

মই যেতিয়া মছীহি হ'লো তেতিয়া মোৰ জীৱনত এক আচৰিত পৰিবৰ্তন আৰম্ভ হৈছিল। এবছৰৰ পিছত মই যেতিয়া অলপ দিনৰ বাবে বোম্বাইলৈ গৈছিলো তেতিয়া মোৰ আচৰণ, কথা-বতৰা আদি ইমানেই পৰিবৰ্তন হৈ পৰিছিল যে মোৰ মুছলমান বন্ধুবোৰে দেখি আচৰিত হৈ গৈছিল। অতি সহজতে খং উঠা মোৰ সেই স্বভাৱৰ ঠাইত নম্ৰতা দেখি সিঁহতে তধা লাগিছিল।

মই মছীহি হোৱাৰ আগেয়ে গুনাহক গুনাহ বুলিয়েই গন্য কৰিছিলো। কিন্তু এতিয়া কৰাৰ দৰে গুনাহক ভয়ঙ্কৰ অনিষ্টকাৰী শক্তি বুলি অনুভৱ কৰা নাছিলো। ধূলি মাটিৰ মানুহ যি মই, এতিয়াও দুৰ্বল আৰু সেই বাবেই যেতিয়াই মই আল্লাহ পাকৰ সাক্ষাতে পতিত হওঁ, তেতিয়া মই লাজ অপমানত নিজেই অনুতপ্ত হৈ আল্লাহৰ ওচৰত মাগফেৰাত বিচাৰো। যেতিয়া আমি ঈছা মছীহৰ কোৰবাণী কবুল কৰো তেতিয়াহে এনেকৈ আমি ভাবিব পৰা হওঁ। কেৱল মাত্ৰ অনুতাপেই আমাৰ গুনাহ নিকা কৰিব নোৱাৰে। হজৰত ঈছা মছীহৰ বেগুনাহ খুনেহে আমাক আমাৰ গুনাহৰ পৰা পৰিস্কাৰ কৰিব পাৰে। গুনাহৰ কাৰণেই আজি দুনিয়া ধ্বংস হ'বলৈ আৰু অলপহে বাকী। যদিও চয়তানে তাৰ ইচ্ছাৰে আৰু সকলো শক্তিৰে মোৰ লগত যুদ্ধ কৰিছিল তথাপিও মই অকনো দুৰ্বল হোৱা বা ভয় খোৱা নাছিলো, কাৰণ মই বিশ্বাস কৰিছিলো যে মছীহই তাৰ মূৰটো আগেয়ে ভাঙি পেলালে। চয়তানে ঈছা মছীহৰ ঈমানদাৰ এজনক একো ক্ষতি কৰিব নোৱাৰে নাইবা তেওঁলোকৰ অহিতে বলবানো হ'ব নোৱাৰে। **আচমান আৰু জমিন সৃষ্টি কৰোতা, প্ৰত্যেকৰে হৃদয় বিচাৰোতা সেই দয়ালু আল্লাহ পাকে মুছলমান ভাইসকলৰ হৃদয়ো তেওঁলৈ ঘূৰাই আনক, যিদৰে মোক আনিলে আৰু তেওঁলোকক দৰ্শন**



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

কোনো কামত নাহিব। সেইদিনা তোমাৰ পৰিয়াল নাইবা তোমাৰ বন্ধু-বান্ধৱ কোনেও আহি তোমাক সহায় নকৰিব। এই দুনিয়াত থকা কেইদিনহে তেওঁবিলাকে তোমাৰ লগত থাকিব। তোমাৰ ঈমানৰ বাহিৰে কবৰলৈ আৰু কোনো নাযায়। সেই হেতুকে যিজনে ক্ষণস্থায়ী জীৱনৰ বাবে ৰূহানী শান্তি আৰু বেহেস্তী জীৱন ত্যাগ কৰে তেওঁ জ্ঞানী নহয়'। তেতিয়াই মই আঁঠু কাঢ়ি আল্লাহ পাকৰ ওচৰত দোৱা কৰিছো ঃ 'হে সৰ্বশক্তিমান সৃষ্টিকৰ্ত্তা আল্লাহ, তুমি মানুহৰ হৃদয় বিচাৰ কৰোতা খোদা, মই নিজকে তোমাৰ হাতত সমৰ্পন কৰিছো। হে মাবুদ, মোৰ মুনাজাত শুনা আৰু চয়তানৰ ফান্দ পৰীক্ষা আৰু আত্মিক বিপদৰ পৰা ৰক্ষা কৰা। মোৰ হৃদয়ৰ পৰা মাংসিক আৰু জাগতিক সকলো অভিলাষ আতৰাই দিয়া। মোক তুমি শক্তি আৰু সহায় দিয়া যাতে মই তোমাৰ একমাত্ৰ পুত্ৰ ঈছা মছীহক সকলো মানুহৰ আগত প্ৰকাশ্যে স্বীকাৰ কৰিব পাৰো। নাজাত দাতা ঈছা মছীহৰ নামত এয়ে মোৰ মুনাজাত। আমেন'

মুনাজাত শেষ কৰি উঠি মই অলপ টোপনি অনুভৱ কৰিছিলো আৰু অলপ সময়ৰ বাবে টোপনি গলো। যেতিয়া সাৰ পালো মই নিজেই সম্পূৰ্ণ সুখী আৰু আনন্দিত হোৱা অনুভৱ কৰিছিলো। আগৰ দুখ, বেজাৰে মোক কোনো প্ৰকাৰেও বিৰক্ত কৰিব পৰা নাছিল।

গধূলি হোৱাৰ লগে লগে মই মুখ হাত ধুই মুন্সি মানছুৰ মাছীহৰ ঘৰলৈ গলো। তেওঁৰ ঘৰ পাই মই গম পালো যে মই নোযোৱাৰ কাৰণে তেওঁ বৰ চিন্তিত হৈছে। তেওঁ মোৰ চাহ খোৱাৰ অভ্যাস থকা কথাটো জানিছিল আৰু মোৰ বাবেও প্ৰস্তুত কৰিছিল। মোৰ চাহ খোৱা শেষ হ'লত আমি অলপ সময় কথা বতৰা পাতিয়েই মুনাজাত কৰিলো। মুনাজাত শেষ কৰি আমি পাদুৰী লেৰ্জাডৰ ঘৰলৈ গলো।

আমি পাদুৰী চাহাবৰ ঘৰ সোনকালে গৈ পোৱাত তেওঁ আচৰিতেই হৈছিল। লাহে লাহে মুন্সি মানছুৰ মাছীহে মই ব্যাপ্তিস্ম অৰ্থাৎ ত্বৰীকা লবলৈ অহাৰ কথাটো পাদুৰী চাহাবক ক'লে। প্ৰথমে তেওঁ ভাবিছিল যে আমি ধেমালিহে কৰিছো কিন্তু তেওঁ যেতিয়া আগনিশা ক'ত কি হৈছিল আমাৰ পৰা গোটেইবোৰ শুনিবলৈ পালে তেওঁ তৎক্ষণাত উঠি আহি মোক সাৱট মাৰি ধৰি কৈছিল, 'মই জানিছিলো যে যদিহে তুমি কিতাবুল মোকাদ্দছখন গুৰুত্ব দি পঢ়া, তুমি এদিন নহয় এদিন মছীহি হবাই। তোমাৰ এই বিশ্বাসৰ বাবে আমি আল্লাহৰ প্ৰশংসা কৰিছো। তেতিয়া তেওঁ মোক তিনিদিন বাট চাবলৈ ক'লে আৰু ইয়াৰ ভিতৰত দহ আজ্ঞা, প্ৰভুৰে শিকোৱা মুনাজাত আৰু ধৰ্মৰ মূল কথা কিছু আয়ত্ব কৰিবলৈ পৰামৰ্শ দিলে। পাচলৈ তেওঁ মোক মুছলমানসকলৰ মাজত নাথাকিবলৈ পৰামৰ্শ দিছিল। তেওঁ



# বাল্যকাল আৰু শিক্ষা জীৱন

মোৰ মাতৃভূমি হ'ল আফগানিস্তান। মোৰ আব্বাজান কাবুল চহৰৰ দক্ষিণে ৮০ কি. মি. দূৰৈত অৱস্থিত লগাৰৰ ৰাজধানীৰ এগৰাকী স্থায়ী বাসিন্দা আছিল।

মোৰ আব্বাজান, পায়ন্দা খাঁন আফগান সৈন্য বাহিনীৰ এটা ৰেজিমেণ্টৰ কৰ্নেল আছিল আৰু তাত তেওঁৰ উপাধি আছিল বাহাদুৰ খাঁন। অৰ্থাৎ তেখেতক সকলোৱে কৰ্ণেল বাহাদুৰ খাঁন বুলিয়েই চিনি পাইছিল। মোৰ আব্বাজানৰ দুগৰাকী বিবি আছিল। প্ৰথম গৰাকী আছিল তেখেতৰ ওচৰ সম্পৰ্কীয় আত্মীয়ৰ ফালৰ। এই গৰাকী বিবিৰ তিনিজনী জীয়েক আছিল, কিন্তু ল'ৰা সন্তান এজনো নাছিল। সেইবাবেই পৰিয়ালটো জানোচা সম্পূৰ্ণ ৰূপে লুপ্ত হয় এই ভাবি আব্বাজানে চৈয়দ মহম্মদ আক্কা নামৰ আফগানিস্থানৰ আন এটি সম্ভ্ৰান্ত পৰিয়ালৰ পৰা মোৰ আম্মাজানক নিকাহ কৰায়। মোৰ সৰু ভাই তাজ মহম্মদ খাঁন আৰু মই এই দ্বিতীয় গৰাকী বিবিৰ পৰা জন্ম পোৱা। মোৰ জন্ম হৈছিল ১৮৮১ চনত।

মোৰ জন্মৰ কেইবছৰ মান পিছতে ৰাছিয়াৰ পৰা আব্দুৰ ৰহমান খাঁন নামৰ আমিৰ এজন কাবুলত শাসক ৰূপে আবিৰ্ভাৱ হৈ দেশখনৰ ছয়গৰাকী প্ৰসিদ্ধ লোকক ধৰি নি দেশান্তৰ কৰে। এই ছয়গৰাকীৰ ভিতৰত মোৰ আব্বাজানও আছিল এজন। কিছুদিন পিছত এই আটাইকেইগৰাকীক মৃত্যুদণ্ড দিয়া হৈছিল। তাৰপিছতে আকৌ মোৰ পৰিয়াললৈ দ্বিতীয়টো বিপৰ্য্যয় নামি আহে। কোনো ৰাজনৈতিক কাৰণত শাসনাধিষ্ঠিত সকলে মোৰ দুগৰাকী মামাক ধৰি নি কাবুল ৰাজ্যিক কাৰাগাৰত বন্দি কৰি থয় আৰু কিছুদিন পিছত তেওঁলোকক ভাৰতলৈ চালান দিয়ে। তাৰ কিছুদিন পিছত মোৰ তৃতীয় গৰাকী মামাই তেওঁৰ আম্মাজানক লৈ আমিৰৰ পৰা অনুমতি লৈ ভাৰতবৰ্ষলৈ চাকৰ-বাকৰৰ সৈতে গুচি আহে। বাকী আমি ওচৰ সম্পৰ্কীয় আত্মীয়সকলৰ সৈতে কাবুলত থাকি গলো। ইফালে মোৰ মামা কেইগৰাকীয়ে ভাৰতৰ **হাছান আব্দাল** নামে ঠাইত নিগাজিকৈ বসতি আৰম্ভ কৰে। পৰৱৰ্তী ৰাজনৈতিক সমস্যাৱলীৰ বাবে আমাৰ গোটেই পৰিয়ালটোৱেই পাছলৈ ভাৰতবৰ্ষৰ হাছান আব্দালতে বসবাস কৰিবলগীয়া হয়। কেইমাহমান পিছতে মোৰ আম্মাজানৰ ইন্তেকাল হয়। অৱশেষত আমিৰ আব্দুৰ ৰহমান খাঁন আৰু আমাৰ পৰিয়ালৰ মাজত হোৱা সন্ধিৰ পিছত মই আৰু মোৰ তিনিওগৰাকী মামাৰ বাহিৰে পৰিয়ালৰ আন আন লোকসকল নিজ দেশলৈ উভটি গ'ল। ভাৰতত



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

থিতাপি লোৰাৰ পিছতে আৰবী ভাষা নিখুতঁভাৱে অধ্যয়ন কৰি নিজকে পৈনত কৰাৰ উদ্দেশ্যে দিল্লীৰ মাদ্রাছা-ই-ফটেহপুৰীত মই নামভৰ্ত্তি কৰো। সেই সময়ত তাত মুখ্য মৌলবী আছিল নৌচেৰা জিলাৰ এগৰাকী বিশুদ্ধ পাঠান **মৌলানা আব্দুল জলিল** (আফগানিস্থানৰ ভিতৰত পাঠান সকলেই আছিল মূল শক্তিশালী গোট)। দ্বিতীয় গৰাকী মৌলবী কান্দাহাৰৰ **ফটেহ মহম্মদ খাঁন**। এই দুগৰাকী ভদ্রলোকৰ বিশেষ যত্নত অতি কম সময়ৰ ভিতৰতে মই তর্ক শাস্ত্র অধ্যয়ন সম্পূর্ণ কৰি তাৰ মূল হাদিছ আৰু টীকা অধ্যয়ন আৰম্ভ কৰো। দিনৰ ভাগত মই মোৰ সহপাঠীসকলৰ লগতে অধ্যয়ন কৰো আৰু নিতৌ সন্ধিয়া মৌলনা আব্দুল জলিলে আহি মোৰ অধ্যয়নৰ বিষয়বস্তু সম্পৰ্কে তদাৰক কৰে। এইদৰে আল্লাহ পাকৰ ৰহমতত মই এই বিষয়সমূহ সহজে আয়ত্ব কৰিব পাৰিছিলো।

●●●

## মছীহিসকলৰ সৈতে প্ৰথম সাক্ষাৎ

এদিনাখন যেতিয়া মই মোৰ লগৰীয়াসকলৰ সৈতে চান্দনী চ'কৰ (দিল্লীৰ মুখ্য চৰকাৰী পথ) ফালে ফুৰিবলৈ ওলাই গৈছিলো, তেতিয়া আমাৰ স্কুলৰ কাষতে বহু মানুহ একেলগে গোট খাই থকা দেখিছিলো। আমি ওচৰলৈ গৈ দেখিলো যে এজন মছীহি প্ৰচাৰক আৰু আমাৰ সহপাঠী এগৰাকীৰ মাজত এক আল্লাহৰ ত্ৰিত্ববাদ সৰ্ম্পকে তুমুল তৰ্কযুদ্ধ লাগিছে। এই প্ৰচাৰক জনে পৱিত্ৰ কোৰাণ শ্বৰীফৰ পৰা উদ্ধৃতি দি ত্ৰিত্ববাদক সমৰ্থন কৰিছিল। *'আমিয়েই মানুহক সৃজন কৰিছো ... আমি তাৰ ডিঙিৰ শিৰ ডালতকৈও ওচৰত আছো'* ( কোৰাণ ৫০ঃ১৬ আয়াত)।

প্ৰচাৰক জনে যুক্তি দৰ্শাইছিল যে পৱিত্ৰ কোৰাণৰ কালেমাতুল্লাহত যদি ত্ৰিত্বৰ কথা কোৱা হোৱা নাই, তেনেহ'লে প্ৰথম পুৰুষ বহুবচন ''আমি''ৰ পৰিৱৰ্তে প্ৰথম পুৰুষ একবচন ''মই'' হে ব্যৱহাৰ হ'ব লাগিছিল। তেতিয়া মোৰ সহপাঠী বন্ধুজনে তৰ্কত ধৰাশায়ী হৈ মোক যুক্তি দৰ্শাবলৈ হেঁচি ধৰিছিল। তেতিয়া ময়ো এখোজ আগুৱাই গৈ যুক্তি দিলো যে আৰবী ভাষাত সন্মান জনাবলৈহে সৰ্বনামৰ প্ৰথম পুৰুষ বহুবচনৰ ব্যৱহাৰ কৰা হয়, বহুবচনক বুজাবলৈ নহয়।



**লাগিব।** যদি মোৰ অনুসন্ধানত কিবা আসোৱাহ ৰৈ গৈছে তেনেহ'লে কোনো সদাশয় ব্যক্তিয়ে মোৰ ত্ৰুটি আঙুলিয়াই দিলে নিশ্চয় কৃতজ্ঞ হ'ম। আনহাতে, যদি আপোনালোকে মোক মোৰ যুক্তিবোৰ খণ্ডনকৰাটোকে বিচাৰে তেনেহ'লে মই স্পষ্টকৈ কওঁ যে সেইবোৰৰ উত্তৰ মই দিব নোৱাৰো আৰু আন কোনোবাই ইয়াৰ উত্তৰ দিব পাৰিব বুলিও আশা নকৰো।

ইতিমধ্যে মই বৈঠক এৰি আহিছো, কাৰণ তাত আৰু কিছু দেৰিলৈকে থকাটো মোৰ বাবে বৰ সুবিধাজনক নাছিল। মুন্সি মানছুৰ মাছীহে তৎক্ষণাত মোক অনুসৰণ কৰিছিল। তেওঁ আহি যেতিয়া মোক লগ পাইছিল, তেওঁ মোক আকোৱালী ধৰিছিল আৰু আনন্দতে তেওঁৰ চকুপানী বৈ আহিছিল। তেতিয়াই কঁপা কঁপা মাতেৰে তেওঁ মোক কৈছিল, 'মোৰ লগত একেলগে আজি ৰাতি ঘৰলৈ ব'লা। এই ঠাই তোমাৰ বাবে নিৰাপদ নহ'ব আৰু ইয়াত তুমি অকলে থাকিব নোৱাৰা।' মই ক'লো যে মোৰ সংগঠনত থকা সহকৰ্ম্মীসকল শিক্ষিত ভদ্ৰলোক, গতিকে মই তেওঁলোকক ভয় কৰিবলগীয়া একো নাই। মই আকৌ ক'লো, 'আন কিছুমান লোক আছে যিসকলক মোৰ ভয় কৰিবলগীয়া আছে। ঠিক আছে, গধূলি হোৱাৰ লগে লগে মই আপোনালোকৰ ঘৰলৈ যাম। যদি মই সময়ত গৈ ওলাব নোৱাৰো তেনেহ'লে অনুগ্ৰহ কৰি আপুনিয়ে মোৰ থকা ঠাইলৈ আহিব।

এইখিনি আলোচনা হৈ যোৱাৰ পিচত আমি দুয়ো এৰা এৰি হ'লো। মই মোৰ কোঠালৈ আহি দুৱাৰখন ভিতৰৰ পৰা বন্ধ কৰি দি পোহৰ নোহোৱা কৰি পেলালো। মই বহিছিলো আৰু গভীৰ চিন্তাত নিমগ্ন হৈ পৰিছিলো। সেই নিশাৰ ভয়ঙ্কৰ কল্পনাবোৰ আৰু মোৰ আত্মিক যুদ্ধৰ কথা মই কেতিয়াও নাপাহৰিম। সেই নিশা আছিল সিদ্ধান্ত গ্ৰহণৰ নিশা, সেই নিশা আছিল নৈৰাশ্যক পৰীক্ষা কৰাৰ নিশা। সেই সময়তে মই আন কিছুমান চিন্তাৰ মুখামুখি হৈছিলো যে যদিহে মই মছীহি হওঁ, তেনেহ'লে মই মোৰ দেশ হেৰুৱাম, পৈত্ৰিক সম্পত্তিত থকা মোৰ অধিকাৰ হেৰুৱাম, মোৰ বন্ধুবোৰক হেৰুৱাম অৰ্থাৎ সকলো হেৰুৱাব লাগিব। মছীহি হোৱাৰ কথা মনলৈ অহাৰ লগে লগে কিছুমান ধাৰণাই মোক বিৰক্তি দিছিল, যিহেতু মছীহিসকলৰ জীৱন-ধাৰণৰ প্ৰণালী আমাতকৈবহু বেলেগ।

মছীহিসকলৰ আৰু আমাৰ জীৱন-ধাৰণ প্ৰণালীৰ ক্ষেত্ৰত থকা এই বিভিন্নতাৰ ধাৰণাই মোক বৰ বিৰক্তি দিছিল। সেই নিশা টোপনি হোৱাটো বৰ অসম্ভৱ আছিল। শেষত মই নিজকে কোৱাদি কৈছিলো, 'চুলতান তুমি বিবেচনা কৰা যে তুমি এই অস্থায়ী পৃথিৱীৰ দুদিনীয়া সন্তান মাত্ৰ। যেতিয়া তোমাৰ মওত হ'ব তেতিয়া তোমাৰ দেশ, তোমাৰ পৈত্ৰিক সম্পত্তি ইয়াতেই পৰি ৰব, তোমাৰ



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

# গুনাহ স্বীকাৰ আৰু সিদ্ধান্ত

মই বৰ্ণনা কৰি অহা মতে মোৰ হকীকতৰ ওপৰত আৰম্ভ কৰা সকলো অনুসন্ধান শেষ কৰি মই এটা সিদ্ধান্তলৈ আহিছিলো যে ময়ো এজন মছীহি হম। এই ঘটনা সংক্ৰান্তত দেখা গ'ল যে মোৰ অনুসন্ধান গোটেই বিষয়টো সমাজৰ আগত উপস্থাপন কৰিবলৈ হ'লে সন্মানীয় ভাৱেই তাক সমাজৰ আগলৈ আনিব লাগিব যাতে সমাজে মোৰ এই গোপন অনুসন্ধানৰ বাবে কোনোধৰণৰ ফটোৱা জাৰি নকৰে।

মই আমাৰ সংগঠনৰ বৈঠকবোৰলৈ আগৰ দৰে গৈ থাকিলো। সেইদিনা কথা কোৱাৰ পাল আছিল মুন্সি মানছুৰ মাছীহৰ। তেওঁ আৰম্ভ কৰাৰ আগতে মই মাজতে মাত দি ক'লো যে মইও ইছলামৰ বিৰুদ্ধে দুষাৰমান কব খোজো। তেতিয়া মই মোৰ দীৰ্ঘ পৰ্য্যবেক্ষণৰ ফলাফলৰ বৰ্ণনা আৰম্ভ কৰিলো। আমাৰ সংগঠনৰ উচ্চ পদস্থ বিষয়া এগৰাকী মোৰ কথা শুনি আচৰিত হৈছিল যদিও তেওঁ আশাৰে বাট চাই আছিল যে মই মোৰ ভাষণৰ শেষৰ ফালে ওলোটাই আকৌ মোৰ যুক্তিবোৰ খণ্ডন কৰিম বুলি। মই যেতিয়া ভাষণ শেষ কৰি মোৰ আসনত বহিছিলো ঠিক তেতিয়াই উপ-সভাপতিয়ে মন্তব্য কৰিলে, 'আমি আশাকৰো যে সভাপতিয়ে নিজেই তেওঁৰ অপ্ৰিয় বক্তব্যৰ বিৰুদ্ধে আমাৰ আগত যুক্তি দাঙি ধৰিব'। মই আকৌ উঠি কব ধৰিলো, 'বন্ধুসকল, শুনক। ইতিপূৰ্বেই মই যিবোৰ ব্যাখ্যা আপোনালোকৰ আগত দাঙি ধৰিলো সেয়া মই আপোনালোকক ওপৰে ওপৰে সাজি কোৱা নাই। এইবোৰ বহুবছৰ অনুসন্ধানৰ ওপৰত ভিত্তি কৰি উলিওৱা সত্য আৰু নিশ্চিত বিষয়। মুন্সি মানছুৰ মাছীহে নাজাত সম্পৰ্কে আমাক যিদিনা কথা কৈছিল সিদিনাৰ পৰা এই নাজাত সম্পৰ্কে মোৰ ধাৰণা সুনিশ্চিত হ'বলৈ ধৰে। সেই সময়তে মই আল্লাহ পাকক ওয়াদা কৰিছিলো, হে আল্লাহ, এতিয়াৰ পৰা এই কিতাবুল মোকাদ্দছ মই আৰু এনেকৈ ওপৰে ওপৰে আগৰ নিচিনাকৈ নপঢ়ো, পঢ়িম হকীকত বিচাৰি পাবলৈ, আৰু সেই বাবেই হয়তো সত্যৰ পথ আৰু সাধুতা মোলৈ প্ৰকাশিত হ'ল। মই যুক্তিহীন ধাৰণাসমূহ একাষৰীয়া কৰি এৰি থৈ মই জেন এভেষ্টা, সত্যাৰ্থ প্ৰকাশ, কিতাবুল মোকাদ্দছ আৰু পৱিত্ৰ কোৰাণ শ্বৰীফ এই গ্ৰন্থ কেইখনৰ তুলনামূলক অধ্যয়ন কৰিলো। **অৱশেষত মই এটা সিদ্ধান্তত উপনীত হ'লো যে নাজাত কেৱল ঈছা মছীহতহে পোৱা যায়, কোনো ধৰ্মত নহয় আৰু এই কথা সকলোৰে স্বীকাৰ কৰিবও**



এইটোৱেই আছিল মোৰ জীৱনত তৰ্কযুদ্ধৰ যোগেৰে এজন মছীহিক লগ পোৱাৰ সোণালী সুযোগ। ঠিক সেইদিনাৰ পৰা মছীহিসকলৰ লগত তৰ্ক কৰিবলৈ মোৰ মাজত এক অবৰ্ণনীয় আগ্ৰহ জন্মিল আৰু ধৰ্মীয় জ্ঞানৰ হকীকত জানিবলৈ মই গভীৰভাৱে ব্যগ্ৰ হৈ পৰিলো। মছীহি বিশ্বাস ভাঙি দিব পৰাকৈ জ্ঞান আহৰণ কৰিবলৈ মই কিছুমান প্ৰসিদ্ধ কিতাপ সংগ্ৰহ কৰিবলৈ লাগি গলো। এইদৰে অনেক বিখ্যাত কিতাপ গোটাই লৈ মই সাৱধানে সেইবোৰ অধ্যয়ন কৰিলো আৰু একোটা নিৰ্দিষ্ট দিনত মছীহ সম্পৰ্কীয় আলোচনাৰ উৎপত্তি স্থললৈ গৈ প্ৰচাৰকসকলৰ লগত তৰ্ক কৰা আৰম্ভ কৰিলো।

মছীহি প্ৰচাৰকজনৰ লগত প্ৰায়ে আহি থকা পাদুৰী চাহাবজনে এদিন তেখেতৰ ব্যক্তিগত সাক্ষাতৰ বাবে টিকট এখন দি মোক তেখেতৰ ঘৰলৈ দাৱাত দিছিল আৰু ময়ো দুই তিনিজনমান বন্ধু লগত লৈ এদিন তেখেতৰ ঘৰ ওলালোগৈ। তেওঁৰ ঘৰত চাহ খাই থকাৰ সময়তে আমি ধৰ্ম সম্পৰ্কীয় মনোগ্ৰাহী আলোচনা এটা আৰম্ভ কৰিলো। হঠাৎ সেই পাদুৰী চাহাবজনে মোলৈ ঘূৰি চাই কিতাবুল মোকাদ্দছ পঢ়িমনে সুধিলে। তেতিয়া মই তেওঁক ওলোটাই সুধিছিলো, "মই কিয় কিতাবুল মোকাদ্দছ পঢ়িব লাগে? আপোনালোকে নিজ ইচ্ছাৰে প্ৰতি বছৰে সালসলনি কৰি উলিওৱা এনে এখন কিতাপ কোনে পঢ়িব?" মোৰ এনে ধৰণৰ উত্তৰত পাদুৰী চাহাবৰ মুখ বিৰ্বণ হৈ পৰিছিল আৰু তেওঁ ক্ষীণ হাঁহি এটি মুখত লৈ মোক সুধিছিল, "তুমি সকলোবোৰ মছীহিকে অসৎ বুলি ভাৱানে? তুমি ভাৱানেকি যে আমি আল্লাহক অলপো ভয় নকৰো আৰু সেইবাবেই কিতাবুল মোকাদ্দছ সলনি কৰি গোটেই পৃথিৱীকে ঠগাই আছো? যেতিয়া মুছলমান সমাজে মছীহিসকলক কিতাবুল মোকাদ্দছৰ মূল কথাবোৰ সলনি কৰা বুলি কয় তেতিয়া তেওঁলোকৰ দৃষ্টিত গোটেই মছীহি সমাজ অসাধু, মিছলীয়া বুলি পৰিগণিত হয়। এইদৰেই মছীহিসকলক অবৈধভাৱে অপৰাধী সজোৱা হৈছে। যিদৰে মুছলমান ভাই সকলে পৱিত্ৰ কোৰাণক কালেমাতুল্লাহ বুলি ঈমান ৰাখে, সেইদৰে আমি মছীহিসকলেও কিতাবুল মোকাদ্দছক কালেমাতুল্লাহ বুলি বিশ্বাস কৰো। সেইদৰে যদি কোনো মুছলমান ভায়ে কোৰাণৰ আয়াত সাল-সলনি কৰিব নোৱাৰে, তেনেহ'লে মছীহিসকলেও কিতাবুল মোকাদ্দছ কেনেকৈ সালসলনি কৰিব পাৰে? যদি কোনো দুৰ্ভগীয়া মুছলমান এজনে কোৰাণৰ আয়াত সাল-সলনি কৰে, তেনেহ'লে সকলো মুছলমানে তেওঁৰ অপৰাধ সমজুৱা হিচাপে প্ৰকাশ কৰি, শাস্তি বিহাৰ লগতে ইছলামৰ পৰা তেওঁক বহিস্কাৰ নকৰিবনে? সেই একেদৰে



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

যদি কোনো মছীহিয়ে তেনে কৰে, তেওঁকো সেই একে ধৰণৰ শাস্তি দিয়া যাব। গতিকে এতিয়া চোৱা, আল্লাহৰ কালাম সালসলনি কৰাৰ ক্ষেত্ৰত মুছলমান ভাইসকলে কৰা আপত্তি অসাৰ আৰু ভিত্তিহীন। মই ভাবো যে যিসকল ভাই সাধাৰণতে কিতাবুল মোকাদ্দছ সম্পৰ্কে অজ্ঞ আৰু মছীহিসকলৰ ঈমানৰ ওপৰত কোনো অভিজ্ঞতা নাই, তেওঁলোকেহে এনেবোৰ আপত্তি দৰ্শাব পাৰে।

সেই পাদুৰী চাহাব জনে মোক এখন পাৰ্চী ভাষাৰ আৰু এখন আৰবী ভাষাৰ, মুঠতে দুখন কিতাবুল মোকাদ্দছ দি সেইবোৰ পঢ়ি চাবলৈ মোক টানি অনুৰোধ কৰে। পিছত আমি তেওঁক ধন্যবাদ জনাই ওলাই আহিছিলো। পাদুৰী চাহাবজনে মোক দিয়া কোনো পৰামৰ্শতে মই মনোযোগ দিয়া নাছিলো। কিতাবুল মোকাদ্দাছ পঢ়াৰ ক্ষেত্ৰত মোৰ উদ্দেশ্য আছিল কিতাবুল মোকাদ্দাছত আঁসোৱাহ বিচৰা, কিতাবুল মোকাদ্দছৰ পৰা ইছলামৰ হকীকত উদ্ধাৰ কৰা আৰু তাৰ যোগেৰে মছীহিসকলক তৰ্ক যুদ্ধত পৰাজিত কৰা। আনকি মই কিতাবুল মোকাদ্দাছখন আৰম্ভণিৰ পৰা শেষলৈকে এবাৰো পঢ়ি চোৱা নাছিলো। মাত্ৰ যিবোৰ পদত মুছলমানে আপত্তি কৰিব পৰা বিষয়ৰ উল্লেখ আছিল সেইবিলাক আয়াতহে পঢ়িছিলো। দিল্লীত থকা সময় খিনিত মছীহিসকলৰ লগত তৰ্ক কৰাটো মোৰ বৃত্তি হিচাবে গ্ৰহণ কৰিছিলো।

●●●

## উচ্চ শিক্ষা

কিছুদিন পিচত মই মুম্বাইলৈ (তেতিয়াৰ বোম্বে) যোৱাৰ সিদ্ধান্ত ললো। তাত গৈ সেই অঞ্চলতে গুণী, জ্ঞানী, সকলোৰে সন্মানীয় আৰু বিখ্যাত **মৌলবী হেদায়েৎ উল্লাহক** মই লগ পোৱাৰ সোণালী সুযোগ পাওঁ। তেওঁৰ ঘৰ আছিল কাবুলত আৰু মোৰ পৰিয়ালৰ লগত তেওঁৰ ভাল পৰিচয় আছিল। আমি পৰস্পৰে পৰস্পৰক লগ পোৱাৰ পিচত তেওঁ বৰ আগ্ৰহেৰে মোক পঢ়া-শুনাত সহায় কৰিব বুলি কথা দিলে। তেওঁ ভাবিছিল যে মোৰ নিয়মীয়া পাঠ্যক্ৰমৰ শিক্ষা সমাপ্ত হৈছিল আৰু সেয়ে তেওঁ মোক আৰবী সাহিত্য অধ্যয়নত অধিক মনোযোগ দিবলৈ পৰামৰ্শ দিছিল। তেওঁ মোক তেওঁৰ ব্যক্তিগত আটক ধুনীয়া পুথিভঁৰালত অধ্যয়ন কৰিবলৈও অনুমতি দিছিল। এনেদৰে তেওঁৰ তত্বাবধানত আকৌ অধ্যয়ন আৰম্ভ কৰিলো।



*কিন্তু তেওঁহে আমাক প্ৰেম কৰিলে আৰু আমাৰ পাপৰ প্ৰায়শ্চিত্ত হ'বলৈ নিজ পুত্ৰক পঠাই দিলে, ইয়াতেই প্ৰেম আছে'* (১ যোহন ৪ঃ১০ আয়াত)।

ইঞ্জিল শ্বৰীফ অধ্যয়নৰ যোগেৰে মই মোৰ হকীকতৰ অনুসন্ধান অব্যাহত ৰাখিলো আৰু এইখন বহুবাৰ আদিৰ পৰা অন্তলৈ পঢ়িলো। মই প্ৰায় এশ মান আয়াত আৰু লেখত লবলগীয়া বহু উপমা তাত পাইছিলো, যিবোৰে মোক প্ৰমাণ দেখুৱাইছে যে সন্দেহৰ বাহিৰে নাজাত দিয়া ধৰ্মৰ প্ৰধান উদ্দেশ্য যিটো ঈছা মছীহত ঈমান অনাৰ দ্বাৰাইহে পোৱা যায়। এই কথাটো প্ৰতিপন্ন কৰিবলৈ মই তলত কেইটামান আয়াত তুলি দিলো ঃ

*'আমি জানো যে শ্বৰীয়তে যি যি কয়, সকলোৰে মুখবন্ধ হ'বলৈ আৰু গোটেই জগত আল্লাহ পাকৰ আগত দণ্ডনীয় হ'বলৈ, সেই সকলোকে শ্বৰীয়তৰ অধীনত থাকাবিলাককহে কয়। কিয়নো শ্বৰীয়ত পালনৰ দ্বাৰা কোনো মৰ্ত্ত্য তেওঁৰ আগত ঈমানদাৰ বুলি গণিত নহ'ব। কাৰণ শ্বৰীয়তৰ দ্বাৰাই পাপৰ বিষয়ে জ্ঞানহে জন্মে। কিন্তু এতিয়া যিহৰ বিষয়ে শ্বৰীয়ত আৰু নবীসকলে সাক্ষ্য দিলে, আল্লাহৰ এনে ঈমান বিনা শ্বৰীয়তত প্ৰকাশিত হৈছে। আল্লাহৰ সেই ঈমান ঈছামছীহত ঈমান অনাৰ দ্বাৰাই সকলোলৈ দিয়া যায়। কিয়নো একো প্ৰভেদ নাই। কাৰণ সকলোৱে গুনাহ কৰিলে আৰু আল্লাহৰ কুদৰতৰ পৰা বঞ্চিত হৈছে , কিন্তু ঈছা মছীহত যি নাজাত তাৰ দ্বাৰাই আল্লাহৰ অনুগ্ৰহত বিনামূল্যে ঈমানদাৰ বুলি গণিত হয়। আল্লাহে তেওঁৰ ধৈৰ্য্য গুণত পূৰ্বে কৰা নানা গুনাহৰ দণ্ড নিদিয়াকৈ থকাৰ কাৰণে নিজ বিশ্বস্ততা দেখুৱাবলৈ আৰু যিহতে মছীহত ঈমান অনা জনক ঈমানদাৰ বুলি গণিত কৰিব পাৰে'* (ৰোমীয়া ৩ঃ১৯-২৫ আয়াত)।

●●●



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

মুছলমানসকলেও ঈছা মছীহক বেগুনাহ স্বৰূপে কবুল কৰিছে, কালেমতুল্লাহ আৰু পাকৰূহ ৰূপেও ঈছা মছীহক দুনিয়াৰ নুৰ স্বৰূপে কবুল কৰিছে। ইয়াৰ বাহিৰেও অন্যান্য সাক্ষ্য সমূহে ঈছা মছীহত থকা সম্পূৰ্ণতাক নিৰ্দেশ কৰে। দ্বিতীয়তে মছীহিসকলৰ মতে ঈছা মছীহক সম্পূৰ্ণ মাবুদ আৰু সম্পূৰ্ণ মানুহ যিজনে সকলো মাংসিক অভিলাষৰ পৰা সম্পূৰ্ণ মুক্ত। সেইবাবে মছীহি আৰু মুছলমান উভয়ে বিশ্বাস কৰে ঈছা মছীহ আটাইতকৈ উচ্চ গুণসম্পন্ন ৰছুল আৰু তেওঁৰ কোনো গুনাহ নাই।

তাৰ পাছত নাজাত দিবলৈ ঈছা মছীহে কি ধৰণে ওয়াদা কৰিছিল তাক পঢ়ি চাবলৈ মই ইঞ্জিল শ্বৰীফৰ যোগেৰে মোৰ অনুসন্ধান আৰম্ভ কৰিলো।

*'কিয়নো মানুহৰ পুত্ৰ সেৱা শুশ্ৰূষা পাবলৈ নহয়, কিন্তু সেৱা শুশ্ৰূষা কৰিবলৈহে আৰু অনেকৰ মুক্তিৰ মূল্যৰ অৰ্থে নিজৰ প্ৰাণ দিবলৈহে আহিল '* (মাৰ্ক ১০ঃ৪৫)।

আল্লাহ পাকে কিদৰে আমাক নাজাত দিব বিচাৰিছে তাক এই আয়াতখিনি পঢ়িয়েই জানিব পাৰিলো। ঈছা মছীহে আমাৰ গুনাহৰ কাৰণে তেওঁ নিজৰ জীৱন কোৰবান কৰিলে। এইটোৱে একমাত্ৰ আচৰিত পথ, যাৰ অনুৰূপ জগতেও দেখুৱাব নোৱাৰে। এই দুনিয়াত অনেক ধৰ্ম আছে হয়, কিন্তু কোনোটোৱেই মৃত্যুৰ দ্বাৰা গুনাহৰ মাগফেৰাত দাবী কৰিব পৰা নাই। কেৱল মাত্ৰ ঈছা মছীহে ইয়াৰ দাবী কৰাই নহয় কাৰ্য্যও কৰি গৈছে।

এইবোৰ কথা জানি মই মনত অপাৰ আনন্দ লাভ কৰিলো। ঈছা মছীহ আৰু তেওঁৰ মহব্বতে মোৰ হৃদয়ত এক চিৰস্থায়ী সাঁচ বহুৱালে। কিন্তু কথা হ'ল যেতিয়াই মই ঈছা মছীহৰ প্ৰেমত মছগুল হৈ যাওঁ তেতিয়াই মোৰ মনলৈ আকৌ প্ৰশ্ন আহে, কিহৰ বাবে ঈছা মছীহে কাফ্ফাৰা দিবলৈ নিজকে কোৰবাণী কৰিলে? তেওঁৰ নিজৰ জীৱন কোৰবাণী নকৰাকৈ বাৰু নাজাত দিব নোৱাৰিলেহেঁতেননে? এইদৰে কিছু সময় চিন্তা কৰাৰ পিছত ইয়াৰ উত্তৰসমূহ মই পালো। খোদা পাক দয়ালু আৰু ধাৰ্মিক। যদি হজৰত ঈছা মছীহে তেওঁৰ জীৱন কোৰবাণী নকৰাকৈ নাজাত দিবলৈ ওয়াদা কৰিলেহেঁতেন, মাগফেৰাতৰ দাবী নিশ্চয় কাৰ্য্যকৰী হ'লহেতেন। কিন্তু ধাৰ্মিকতাৰ বাবে সকলোৰে কাৰণে ঈছা মছীহে তেওঁৰ খুনেৰে কাফ্ফাৰা কৰিলে। এইদৰে আল্লাহ পাকে তেওঁৰ মহব্বত আমালৈ প্ৰকাশিত কৰিলে। *'খোদাক যে আমি প্ৰেম কৰিলো এনে নহয়,*



সাহিত্য জগতত অসাধাৰণ প্ৰতিভাশালী মৌলবীজনে তেওঁৰ জীৱনৰ বেছিভাগ সময় ইস্তানবুল, (কনষ্টাণ্টিপোল) ইজিপ্ত আৰু আৰৱতে কটাইছিল। তেওঁ পাৰ্চী ভাষাতে শিক্ষা দিছিল আৰু আমাৰ দুয়োজনৰে মাতৃভাষা পাৰ্চী হোৱাত শিক্ষা গ্ৰহণ কৰাত মোৰ যথেষ্ট উজু হৈছিল।

ঠিক সেই সময়তে তৰ্কশাস্ত্ৰ আৰু দৰ্শনৰ শিক্ষা দিবলৈ ইজিপ্তৰ পৰা বিদ্বান পণ্ডিত এজনে আহি **মাদ্ৰাছা-ই-জাকাৰিয়া**ত নিয়োজিত হৈছিল। এইজনা আছিল আফগানিস্থানৰ জালালাবাদ জিলাৰ মৌলবী আব্দুল আহাদ। মই যেতিয়া তেখেতৰ পাণ্ডিত্যৰ কথা গম পালো তেতিয়া মই মাদ্ৰাছা-ই-জাকাৰিয়াত নামভৰ্ত্তি কৰি তৰ্ক আৰু দৰ্শন শাস্ত্ৰৰ উন্নত মানৰ কিতাপবোৰ অধ্যয়ন কৰা আৰম্ভ কৰিলো। এইগৰাকী মৌলবীয়ে মোক নিজৰ ল'ৰাৰ দৰে ভাবিছিল আৰু তেওঁ থকা কোঠাৰ কাষতে মোক আন এটা কোঠাত থাকিবলৈ দিছিল যাতে মই যিকোনো সময়তে তেওঁৰ পৰা সহায় লব পাৰো।

●●●

# মছীহিসকলৰ সৈতে পৰৱৰ্তি বিবাদ

এদিনাখন মই মোৰ বন্ধুবিলাকৰ লগত ফুৰি ফুৰি গৈ ধুবি টালাব (মুম্বাইৰ এটি অঞ্চল) পালোগৈ। তাত কেইজনমান মছীহি প্ৰচাৰকে কিছুমান মানুহৰ লগত কথা পাতি থকা আমি দেখিলো। তেওঁলোকক দেখিয়েই মই দিল্লীত থকা সময়ত মছীহি প্ৰচাৰক আৰু পাদুৰীসকলৰ পৰা পোৱা পূৰ্ব অভিজ্ঞতাৰ কথা মনত পৰি গ'ল আৰু লগে লগে মছীহিসকলৰ ওপৰত থকা মোৰ বিদ্বেষ ভাৱ পুনৰ জাগি উঠিল। সেই মুহূৰ্ত্ততে মই তৰ্ক কৰিবলৈ প্ৰচাৰক কেইজনৰ ফালে অগ্ৰসৰ হওতেই মোৰ বন্ধু এজনে ৰখাই ক'লে, 'মৌলবী চাহাব, এইবিলাক মানুহৰ কথাত কেতিয়াও গুৰুত্ব নিদিব। তেওঁলোকৰ লগত তৰ্ক কৰা মানে সময়হে নষ্ট কৰা হয়। এই মানুহবোৰে কেনেকৈ বিষয়বস্তু আলোচনা কৰিব লাগে তাকো নাজানে, আনকি যথাৰ্থভাৱে তৰ্ক কৰিবও নাজানে। দৰমহাৰ বিনিময়ত তেওঁলোকে প্ৰচাৰ কৰি ফুৰে আৰু সেই বাবেই প্ৰকৃততে তেওঁলোকৰ লগত তৰ্ক কৰাৰ কোনো প্ৰয়োজন নাই।' মই ক'লো, 'মই এই সকল মানুহক ভালদৰে জানো।



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

তেওঁলোকে হয়তো তৰ্ক কৰাৰ কলা বা নিয়ম-নীতি নেজানিব পাৰে; কিন্তু মানুহবোৰক কেনেকৈ বিপথে পৰিচালিত কৰিব লাগে তাক হ'লে ভালকৈ জানে। আমাৰ দুৰ্বল ভাইসকলক সিঁহতৰ প্ৰতাৰণা আৰু কু-চক্ৰান্তৰ কবলৰ পৰা মুক্ত কৰাটোৱেই প্ৰত্যেকজন প্ৰকৃত মুছলমানৰ কৰ্তব্য হোৱা উচিত। অলপ দূৰ আগুৱাই গৈ মছীহি প্ৰচাৰক কেইজনৰ কথাৰ ওপৰত মই আৰু ভালেমান আপত্তি দাঙি ধৰিলো। মোৰ আপত্তিজনক কথাবোৰ শুনি তেওঁলোকে তাৰ বিৰোধিতা ও হুলস্থুল কৰি উঠিছিল।

সময়ৰ নাটনিৰ বাবে আমাৰ আলোচনাও চুটি হৈ আহিছিল। আমাৰ এই তৰ্ক যুদ্ধখনৰ কথা আমাৰ স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তৎক্ষণাত বিয়পি পৰিছিল। তেওঁলোকেও এনেধৰণৰ বিবাদত আগভাগ লবলৈ বৰ উৎসাহিতহৈ উঠিছিল। আমি সপ্তাহত অন্তত দুবাৰকৈ তৰ্কযুদ্ধ কৰিবলৈ মছীহিসকলক নিয়মিয়াকৈ লগ ধৰিছিলো। অৱশেষত প্ৰধান ধৰ্ম শিক্ষা দিওতা ইউচুফ বিহাৰী লাল নামৰ মানুহজনৰ যোগেৰে চি. এম. চি. মিচনেৰী দুজনে আমাক তেওঁলোকৰ ঘৰলৈ দাৱাত দিলে।

আমি তেওঁলোকৰ দাৱাত ৰক্ষা কৰিবলৈ গলো আৰু সেইদিনাই তেওঁলোকে আমাক ক'লে যে যদিহে কালেমাতুল্লাহৰ বিষয়ে আমাৰ হৃদয়ক সন্তুষ্ট কৰিব খোজো তেনেহ'লে তেওঁলোক আমাৰ স্কুলৰ ওচৰতে এটা পঢ়া কোঠাৰ ব্যৱস্থা কৰিব য'ত আমি মছীহিয়াতৰ হকীকত জানিব পাৰিম। যিহেতু ধুবি টালাব আমাৰ থকা ঠাইৰ পৰা ভালেখিনি দূৰৈত আছিল সেয়ে মই তেওঁলোকৰ এনে প্ৰস্তাৱ আগ্ৰহেৰে গ্ৰহণ কৰিলো। যেতিয়া তেওঁলোকে আমাৰ স্কুলৰ ওচৰত পঢ়া কোঠা খুলিলে আমি তাত একোটা নিৰ্দিষ্ট সময়ত তেওঁলোকক লগ ধৰা কৰিলো।

যেতিয়া মই জানিব পাৰিলো যে আমাৰ স্কুলৰ ছাত্ৰ-ছাত্ৰী আৰু মোৰ বন্ধুবোৰে মছীহি ধৰ্মৰ বিষয়ে একোকে নেজানে আৰু তৰ্কৰ ক্ষেত্ৰত তেওঁলোক যথেষ্ট অনভিজ্ঞ, তেতিয়া মই মৌলবী আব্বাছ খাঁন চাহাবৰ পৰামৰ্শত অন্য এটা ঘৰ ভাড়ালৈ লওঁ। তাত আমি অনা ইছলামী লোক বিশেষকৈ মছীহি ধৰ্মৰ বিৰুদ্ধে **'নাদোৱাতুল মোতাকাল্লিমীন'** (Nadwatul Mutakallimin) নামেৰে প্ৰতিবাদী সমাজ এখন গঢ়ি তুলিলো।

মই সদায়ে ধৰ্মীয় বিবাদত জড়িত থাকি জীৱনৰ আনবোৰ দিশত অমনোযোগী হৈ পৰা কথাটো মোৰ শিক্ষকে লক্ষ্য কৰি আছিল আৰু সেইবাবেই তেওঁ নিজেই এদিন সন্ধিয়াৰ নামাজৰ শেষত মোৰ কোঠালৈ



এই হাদিছবোৰৰ ওপৰত বিস্তৃত অধ্যয়ন চলোৱাৰ পিচত তাত পৰ্য্যবেক্ষন কৰিবলগীয়া একো নাছিল। মনৰ আশংকা, হতাশা-নিৰাশাবোৰ এফলীয়া কৰি মই হাদিছৰ কিতাপ বন্ধ কৰি আল্লাহ পাকলৈ হাত মেলি দোৱা খুজিলো ঃ

**'হে আল্লাহ মোৰ সৃষ্টিকৰ্ত্তা, মোৰ খোদাবন্দ, মোতকৈও মোৰ হৃদয়ৰ সকলো কথা তুমি অধিককৈ জানিছা। তুমি ইয়াকে জানিছা যে মই কিমান দিন তোমাৰ সত্য ধৰ্মৰ পথ বিচাৰি ফুৰিছো। মই এই হকীকত জানিবলৈ যথাসাধ্য সকলো কৰিলো। এতিয়া তুমি তোমাৰ জ্ঞান আৰু নাজাতৰ দুৱাৰ খোলা। এতিয়া মোক কবুল কৰা হে আল্লাহ যাতে মই তোমাৰ বাসস্থান বেহেস্তত তোমাৰ সন্তানসকলৰ লগত একেলগে থাকিবলৈ আৰু তোমাৰ পৱিত্ৰ উপস্থিতিত তোমাত সন্তুষ্ট আৰু আনন্দিত হ'বলৈ পাম।'** আমেন।

এই নৈৰাশ্যৰ মাজতে মোৰ অধ্যায়ৰ ভুল ক্ৰুটিবোৰ বিচাৰি উলিয়াবলৈ মই পৱিত্ৰ ইঞ্জিল শ্বৰীফ আকৌ পঢ়িবলৈ আৰম্ভ কৰিলো। পৱিত্ৰ ইঞ্জিল শ্বৰীফ খুলি লোৱাৰ লগে লগে এই আয়াতবোৰলৈ মোৰ দৃষ্টি গ'ল, *'হে পৰিশ্ৰান্ত আৰু ভাৰাক্ৰান্ত লোকসকল, মোৰ ওচৰলৈ আহা, মই তোমালোকক জিৰণী দিম'* (মথি ১১ঃ২৮)।

মথিয়ে লিখা শুভবাৰ্ত্তাৰ পুস্তকত এই পদ মই কেনেকৈ বিচাৰি উলিয়ালো মই নিজেই নাজানো। কাৰণ এইখন পুস্তক মই নিজ ইচ্ছাৰে বিচাৰি চোৱা নাছিলো। আনহাতে এইটো কোনো হঠাতে ঘটা ঘটনাও নাছিল, এইটো আছিল মোৰ কষ্টদায়ক পৰিশ্ৰমৰ আল্লাহই দিয়া উত্তৰ। মোৰ দৰে গুনাহগাৰ এজনলৈ ঘোষিত হোৱা এইটোৱেই আছিল সৰ্বপ্ৰধান শুভবাৰ্ত্তা। এই জীৱনদায়ক কালামে মোৰ ওপৰত ভয়ঙ্কৰ কাৰ্য্য কৰিছিল। এই কালামে মোলৈ আনিছিল শান্তি, জিৰণি আৰু আনন্দ আৰু ইয়েই মোৰ হৃদয়ৰ সকলো কঠিনতা আৰু অনিশ্চয়তা দূৰ কৰিছিল। মছীহে ঘোষণা কৰিছে যে, **'মই তোমাক জিৰণি দিম'**। তেওঁ দেখুৱাইছে নাজাত কেনেকৈ তেওঁতহে আছে। তেওঁৰ ওপৰত বা তেওঁৰ বাহিৰে অন্য কি পথ আছে তাক তেওঁ দেখুৱা নাই, কিন্তু কৈছে, *'ময়েই বাট আৰু সত্য আৰু জীৱন, মোৰ যোগেৰে নগ'লে কোনেও পিতৃৰ ওচৰলৈ নাযায়'* (ইউহোন্না ১৪ঃ৬ আয়াত)।

তথাপিতো মোৰ মনলৈ প্ৰশ্ন আহিছিল, কোনোবাই বাৰু ঈছা মছীহৰ এই বিশেষ দাবীবোৰ বিশ্বাসেৰে মানি লবনে? মই নিজেই সিদ্ধান্ত কৰিলো যে



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

*তোমালোকৰেই বা কি গতি হ'ব! মই মাথোন সেই ঐশীবাণী অনুসৰণ কৰিছো যি বাণী মোলৈ প্ৰেৰণ কৰা হয় আৰু মই মাত্ৰ এজন স্পষ্টবাদী সতৰ্ককাৰীহে, আন একো নহয় "* (ছুৰা আল-আহকাফ ৯আয়াত)।

আবু হুৰায়াৰা বৰ্ণিত আন এটা হাদিছত, ইছলামৰ নবীয়ে কৈছে, কোনেও ভাল কাম কৰাৰ দ্বাৰাই বেহেস্ত নাপাব, আনকি আল্লাহৰ ৰছুলেও নাপাব। আল্লাহই ৰহমত নকৰিলে আনকিময়ো নাজাত নাপাম। সেইবাবে পুৱা-গধূলি আল্লাহৰ ৰহমত পাবলৈ কাৰ্য্য কৰা।

জবিৰৰ বৰ্ণনাত আল্লাহৰ ৰছুলে কৈছে, তোমাৰ কোনো ভাল কাৰ্য্যই তোমাক বেহেস্তলৈ নিব নোৱাৰে নাইবা সিবিলাকে তোমাক এনেকি মোকো অনন্ত নৰকৰ পৰাও ৰক্ষা কৰিব নোৱাৰে, কেৱল আল্লাহ পাকৰ ৰহমততহে সেয়া সম্ভৱ হ'ব।

এতিয়া মই বুজিলো যে আল্লাহৰ ৰহমত অবিহনে কোনেও নাজাত নাপায়। মই মনত অলপ শান্তি পালো যদিও পিছ মুহূৰ্ত্তত চিন্তাত পৰিলো। যদি আল্লাহ সঁচাকৈ ইমান দয়ালু তেন্তে সেয়ে ভাল। যদিহে আল্লাহই ৰহমতৰ অনুশীলন কৰিবলগীয়া হয়, তেতিয়া তেওঁৰ ন্যায় আৰু ধাৰ্মিকতাৰ দাবীবোৰ এৰিব লাগিব। এনে কাৰ্য্যই আল্লাহৰ দুৰ্বলতাহে আঙুলিয়াই দিয়ে আৰু তেতিয়া তেওঁ অসম্পূৰ্ণ আল্লাহ বুলি ভবাৰ থল আছে। এনে কাৰ্য্য আল্লাহৰ গৌৰৱৰ যোগ্য নহয়।

**তৃতীয়তে**, এই হাদিছবোৰৰ পৰা মই বুজিছিলো যে আল্লাহৰ ৰছুলজনে আনকি নিজৰ মৰমৰ জীয়েক ফাতিমাকো ৰক্ষা কৰিব নোৱাৰে। সেয়ে মই ভবাৰ দৰে আল্লাহৰ ৰছুলজনে আল্লাহ আৰু মানুহৰ মাজৰ মধ্যস্থতাকাৰী বুলি কৰা ধাৰণা মিছা প্ৰমাণিত হ'ল।

আন এটা হাদিছত আবু হুৰায়ৰা বৰ্ণনা কৰি কৈছে, তোমাৰ ওচৰ সম্পৰ্কীয় বিলাকক ভয় কৰোৱা, এই কথা ৰছুললৈ প্ৰকাশিত হ'ল, তেতিয়া তেওঁ ঘোষণা কৰিলে ' হে কুৰেছ বংশধৰসকল, হে আব্দুল মান্নাফৰ সন্তান, আব্বাছ মোত্তালিবৰ সন্তান আৰু হে মোৰ খুৰি চাফীয়া, মই হ'লে পুনৰুত্থানৰ দিনা শাস্তিৰ পৰা তোমালোকক ৰক্ষা কৰিব নোৱাৰিম। তোমালোকে নিজে নিজৰ যত্ন লোৱা। হে মোৰ জীয়ৰী ফাতিমা, তুমি মোৰ সকলো সম্পত্তি ভোগ কৰা কিন্তু আল্লাহৰ গজবৰ পৰা মই হ'লে তোমাক ৰক্ষা কৰিব নোৱাৰো' (বুখাৰি)।



আহিছিল। সেই সময়ত মই ইঞ্জিল শ্বৰীফ পঢ়ি আছিলো। মই কি পঢ়ি আছিলো সেয়া তেওঁ জানিব খুজিলে। যেতিয়া তেওঁ মোৰ উত্তৰ শুনিলে তেতিয়া প্ৰায় খঙেৰে উত্তৰ দিলে, 'মই আশংকা কৰিছো যে অৱশেষত তুমি ঈছা মছীহৰ ঈমানদাৰহে হ'বাগৈ।' তেখেতৰ উত্তৰে মোক যথেষ্ট বিৰক্তি দিছিল যদিও তেওঁক অসন্মান নকৰিলো। তেওঁক কৈ দিলো, মই কিয় ঈছা মছীহৰ ঈমানদাৰ হ'ব লাগে? ইঞ্জিল শ্বৰীফ তন্ন তন্নকৈ অধ্যয়ন কৰিছো ঈছা মছীহক ডালে শিপাই উভালি নষ্ট কৰিবলৈ। এই বিষয়ত আপুনি মোৰ দোষ বিচাৰ কৰাতকৈ মোক উৎসাহিতহে কৰিব লাগে। তেওঁ আকৌ উত্তৰ দিছিল, 'মই এই কাৰণেই কৈছো যে মই শুনিছো, যেয়ে ইঞ্জিল শ্বৰীফ অধ্যয়ন কৰে সিয়ে মছীহি হয়। কিয় কোনো এজন কবিয়ে কোৱা তুমি জানো শুনা নাছিলা যে যেতিয়া তেওঁ ইঞ্জিল শ্বৰীফ পঢ়িছিল তেতিয়া তেওঁৰ ইছলামৰ ওপৰত থকা ঈমান নাইকিয়া হৈ গৈছিল? 'এইটো কোনো শুদ্ধ খবৰ নহয়' মই ক'লো। তাৰ পিচত আৰু কিছু পৰামৰ্শ দি মৌলবী মহাশয় নিজৰ কোঠালৈ উভটি গ'ল।

●●●

# আৰৱ ভ্ৰমণ

মোৰ জীৱনত ঘটি থকা ধৰ্মীয় বাদানুবাদ চলি থকা সময়তেই মই হঠাতে মক্কালৈ হজ যাত্ৰা কৰিবলৈ ওলালো। অতি তাৎক্ষণিকভাৱে যাত্ৰাৰ প্ৰয়োজনীয় সকলো আয়োজন কৰি শ্বাহ-ই-নুৰ নামৰ জাহাজেৰে মক্কালৈ যাত্ৰা কৰিলো। মক্কাৰ পৰাই মই কাশফুল হাকাইক'ৰ সম্পাদক মৌলবী হাছামুদ্দিনৰ লগত চিঠি পত্ৰেৰে যোগাযোগ ৰাখিছিলো। হজযাত্ৰাৰ দিনাখন মই হজযাত্ৰীৰ পোছাক পৰিধান কৰি আৰাফতৰ ময়দানলৈ গৈছিলো। সেইদিনাখন এটা আচৰিত দৃশ্য মই লক্ষ্য কৰিছিলোঃ কি ধনী, কি দুখীয়া, কি উচ্চ, কি নীচ, সকলোৱে একে বগা কাপোৰ পৰিধান কৰিছিল। এনেকুৱা লাগিছিল যেন কবৰৰ পৰা বগা কাপোৰ ঢাকি থোৱা মৃতদেহবোৰে হিচাব দিবলৈহে ওলাই আহিছে। এই দৃশ্য দেখি মোৰ চকুলো ওলাই বাগৰি গৈছিল। ঠিক সেই মুহূৰ্ত্তত মোৰ মনত এটা চিন্তাই খুন্দা মাৰি ধৰিছিল। **'যদি ইছলামেই সত্য ধৰ্ম নহয় তেনেহ'লে পুনৰুত্থান বা আখেৰাতৰ দিনা মোৰ**



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

**কি গতি হ'ব?' তাতে সেই মুহূৰ্ত্ততে মই আল্লাহ পাকৰ ওচৰত মুনাজাত কৰি কৈছিলো, 'হে আল্লাহ পাক, মোক সত্য ধৰ্ম আৰু তোমাৰ সত্য পথ দেখুৱা। যদি ইছলামেই সত্য তেনেহ'লে ইয়াৰ ওপৰত মোৰ ঈমান দৃঢ় হ'বলৈ দিয়া আৰু ইছলামৰ দুচমনবিলাকক স্তব্ধ কৰিবলৈ ৰহমত কৰা। যদি মছীহিয়াত সত্য ধৰ্ম তেনেহ'লে তাৰ হকীকত মোৰ আগত প্ৰকাশ কৰা।'** আমেন।

অতি কম সময়ৰ ভিতৰত মদিনা পৰিদৰ্শন কৰি মই মুম্বাইলৈ ঘূৰি আহিছিলো। মোৰ অনুপস্থিতিত 'নাদোৱাতুল মোতাকাল্লিমীন' নামৰ প্ৰতিবাদী সমাজখন ভাঙি গৈছিল। মই ঘূৰি অহাৰ পিচত আন এখন সমাজ সংগঠিত কৰিলো। নিজেই এইখন সমাজৰ সভাপতি পদত থাকিলো আৰু আব্দুৰ ৰৌফ নামৰ আন এজনক ইয়াৰ সম্পাদক হিচাবে ৰাখিলো। গ্ৰাণ্ট ৰোডৰ ওচৰত সম্পাদকৰ এই ঘৰটোতে আমাৰ সংগঠনৰ বৈঠকবোৰ বহে। প্ৰত্যেক সপ্তাহতে একোজনকৈ অ-মুছলমান লোকক আমাৰ বৈঠকলৈ বক্তৃতা দিবলৈ নিমন্ত্ৰণ কৰা আৰু এই অ-মুছলমান আলহী গৰাকীৰ ধৰ্মীয় সংক্ৰান্ত প্ৰশ্নসমূহৰ উত্তৰ আমাৰ সংগঠনৰ সদস্যই দিয়াটো এটা দস্তুৰ আছিল। মুন্সি মনছুৰ মাছীহ মছীহিয়াতৰ বিষয়ে কবলৈ নিয়মিয়াকৈ আমাৰ ওচৰলৈ আহিছিল। অন্যবোৰে আৰ্য্য সমাজৰ (হিন্দু এক ঈশ্বৰবাদী সমাজ) হৈ কবলৈ আহিছিল।

●●●

## এটা প্ৰধান বিচাৰ্য্য বিষয়

এদিনাখন মুন্সি মনছুৰ মাছীহ অতি প্ৰত্যয়জনকভাৱে আমাক কৈছিল যে ইছলামত নাজাত নাই। আমাৰ সংগঠনৰ সদস্যসকলে মোক এই যুক্তি খণ্ডন কৰিবলৈ উৎসাহ দিছিল। মই মোৰ সকলো সামৰ্থ গোটাই ইছলামতহে যে প্ৰকৃত নাজাত আছে তাক প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছিলো। শ্ৰোতাসকলেও মোক যথেষ্ট উৎসাহিত কৰিছিল যদিও মই মোৰ অন্তৰত নিজেই পতিয়ন যাব পৰা নাছিলো। প্ৰকৃততে মোৰ ভাষণৰ যোগেৰে মোৰ দুৰ্বলতাৰ কথাহে প্ৰকাশ পাইছিল। যদিও মই বিৰোধীসকলৰ অহিতে বেছিকৈ চিঞৰ বাখৰ কৰিছিলো তথাপি মুন্সি মনছুৰ মাছীহৰ বক্তব্যই এক অবৰ্ণনীয় শক্তিৰে মোৰ



যোগেৰে নাজাত অৰ্থহীন বুলি কোৱা হৈছে। আনকি ইয়াকো কোৱা হৈছে যে ব্যভিচাৰী চুৰবোৰেও মুছলমান ধৰ্মমতৰ কলিমা কেইটা সঘনাই আওৰাই থাকিলে নাজাত লাভ কৰিব। হাদিছটো এনে ধৰণৰঃ আবু ধাৰে এইদৰে বৰ্ণনা কৰিছিল, এদিন মই নবীৰ ওচৰলৈ আহোতে তেওঁ বগা কাপোৰ ঢাকি শুই আছিল। তেওঁ সাৰ পোৱাত মই তেওঁৰ ওচৰলৈ আহোতে তেওঁ কৈছিল, 'আল্লাহৰ যি বান্দাই বিশ্বাস কৰে, আল্লাহ পাকৰ বাহিৰে আন কোনো মাবুদ নাই। যিসকলে এই কথাত ঈমান ৰাখি মওত হয় তেওঁলোকেই বেহেস্তী জীৱন পাব'। মই সুধিছিলো, 'যদি আল্লাহৰ কথাত ঈমান ৰখা সকলে চুৰ নাইবা ব্যভিচাৰ কৰে? তেওঁ উত্তৰ দিছিল যে তেওঁলোকে চুৰ, ব্যভিচাৰ কৰিলেও বেহেস্তী জীৱন পাবই।

আন এটা হাদিছত মই পাইছিলো যিটো মোৰ বাবে সৰু ল'ৰা এজনৰ আগত চেনিৰ পাঁচি এটাৰ দৰে আছিল। এই হাদিছটোৰ ওয়াদা আছিল এজন মানুহে ভাল বা বেয়া যি কামেই নকৰক, তেওঁ যদি কোৰাণ শ্বৰীফৰ কিছুমান বিশেষ শব্দ আওৰাই থাকে তেনেহ'লে তেওঁও বেহেস্তী জীৱন পাবই'। হাদিছ টো এনে ধৰণৰ ঃ উৱাইদাহ-বিন ছামিটৰ বৰ্ণনাত আল্লাৰ ৰছুলে কৈছে, 'যিজনে অকল আল্লাহ পাকৰ বাহিৰে কোনো মাবুদ নাই, তেওঁৰ কোনো দোস্ত নাই আৰু হজৰত মহম্মদেই হৈছে তেওঁৰ গোলাম, আৰু ঈছা মছীহ হৈছে আল্লাহৰ গোলাম আৰু মৰিয়মৰ সন্তান যি আল্লাহৰ ৰুহু, আল্লাহই দুনিয়াত বেহেস্ত আৰু নৰক প্ৰকাশ কৰিছিল। যিসকলে এই সাক্ষ্য মানি লব তেওঁলোকে আল্লাহ পাকৰ ওচৰলৈ যাব পাৰিব' (মুছলীম, বুখাৰী)।

**এই হাদিছবোৰ পঢ়ি মোৰ মনত প্ৰশ্ন হৈছিল যে গোটেই জীৱন গুনাহ কৰি কৰি কেনেকৈ এজনে বেহেস্ত পায় আৰু গোটেই জীৱন ভাল কাম কৰি কৰি মওত হোৱাৰ লগে লগে কিয় আনজনে নৰকলৈ যাব লগা হয়?**

**দ্বিতীয়তে,** চলিত হাদিছত এইদৰে দেখুৱা হৈছে যে নাজাত পোৱা কথাটো নিৰ্ভৰ কৰে আল্লাহ পাকৰ ৰহমতৰ ওপৰত। সেইবাবে আল্লাহৰ নবীজনেই নিজৰ নাজাতৰ বাবে আল্লাহৰ ৰহমতৰ ওপৰত নিৰ্ভৰ কৰিছিল। ভাল কাম কৰিলেও নবীজনে নাজাত পোৱাৰ সম্ভাৱনা নাছিল। হজৰত মহম্মদে এনেকি নিজেও স্বীকাৰ কৰিছিল, "*সেই মানুহবিলাকক কোৱা - "ৰছুল সকলৰ ভিতৰত মই কোনো নৱ ৰছুল নহওঁ। মই নাজানো কাইলৈ মোৰ কি গতি হ'ব আৰু*



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

*সেইসকলৰ বাহিৰে যিসকলৰ প্ৰতি তোমাৰ প্ৰভুৰ কৰুণা বৰ্ষিত হয়। (বিবেক অনুযায়ী কাম কৰাৰ স্বাধীনতা দি) তেওঁ সিঁহতক সৃষ্টি কৰিছে আৰু তোমাৰ প্ৰভুৰ সেই কথা পুৰণ হ'ল, তেওঁ যে কৈছিল, নিশ্চয় মই জ্বিন আৰু মানুহক উভয়ৰ দ্বাৰা জাহান্নাম পূৰ্ণ কৰিম'* (ছুৰা হুদ ঃ ১১৮-১১৯ আয়াত)।

কোৰাণ শ্বৰীফৰ আয়াতটো পঢ়াৰ পাছত মই মনত বৰ আঘাট পাইছিলো। লাহে লাহে কোৰাণখন একেবাৰে জপাই থৈ উগুল থুগুল চিন্তাৰ মাজত ডুবি গলো। আনকি টোপনিৰ কালতো মোৰ জিৰণী নাইকিয়া হ'ল। ইছলামৰ ওপৰত থকা মোৰ পৈতৃক ঈমানক ত্যাগ কৰিবলৈ মোৰ কষ্ট হৈছিল। তাতকৈ মই মোৰ জীৱনটোকে ত্যাগ কৰিবলৈ ইচ্ছুক হৈ পৰিছিলো। মাজে মাজে মই এই সমস্যাৰ পৰা নিস্তাৰ পাবলৈ কিছুমান উপায় বিচাৰি হাবাথুৰি খাইছিলো। ইছলামীয় ঈমানক আঘাট নকৰাকৈ মই নিস্তাৰ পাব খুজিছিলো। সেইবাবেই মই হাদিছ গ্ৰন্থৰ সহায় বিচাৰিবলৈ আৰম্ভ কৰিলো। ইছলামত ছয়টা ডাঙৰ হাদিছ গ্ৰন্থ আছে। হাদিছত বিজ্ঞান প্ৰয়োগ কৰাটোও বৰ কষ্টসাধ্য কাম আছিল। কিন্তু ইমান অসুবিধা থকা স্বত্ত্বেও আল্লাহৰ ৰহমতত মোৰ কাম প্ৰায় শেষ হৈ আহিছিল।

হাদিছসমূহৰ মতে এই দুনিয়াত নাজাতৰ পথ তিনি প্ৰকাৰৰ। **প্ৰথমতে** ঃ কৰ্ম আৰু নাজাতৰ মাজত কোনো সম্পৰ্ক নাই। কেৱল আল্লাহ পাকৰ ৰহমত আৰু মাগ ফেৰাতৰ ওপৰতহে নাজাত নিভৰ্ৰশীল। আটাইতকৈ অধম গুনাহগাৰ, যিজনে গোটেই জীৱন আল্লাহৰ আহকাম নামানিলে, আল্লাহই ইচ্ছা কৰিলে তেওঁলৈয়ো বেহেস্তৰ দুৱাৰ খুলি দিব পাৰে। আনহাতে গোটেই জীৱন ভাল কাম কৰিলেও আল্লাহই ৰহম নকৰিলে জাহান্নামত যাব লগা হ'ব পাৰে। নিমোক্ত হাদিছে এই বিষয়ে কৈছে ঃ

হজৰত এনাচে কয় যে ইছলামৰ নবীয়ে মাধৰ আগে আগে ঘোঁৰা চলাই গৈছিল, তেতিয়া নবীয়ে তিনিবাৰ উল্লেখ কৰিছিল, 'আল্লাহ এজনেই আৰু মহম্মদ হ'ল তেওঁৰ ৰছুল', আকৌ পুনৰুক্তি কৰিছিল 'যিকোনোৱে সৰলভাৱে বিশ্বাস কৰে, তেওঁক কেতিয়াও নৰকৰ অগ্নিকুণ্ডত পেলোৱা নহ'ব'। তেতিয়া মাধয়ে কৈছিল, 'হে আল্লাহৰ নবী, এই শুভবাতৰি মই ঘোষণা নকৰিমনে?' তেতিয়া নবীয়ে উত্তৰ দিছিল যে, 'এই ক্ষেত্ৰত তেওঁলোকে ইয়াত বাদে আন একোতেই বিশ্বাস নকৰিব' (**মিস্কাট শ্বৰীফ**)।

এই বিষয়ত আবু ধাৰৰ পৰা হস্তান্তৰিত হোৱা আন এক হাদিছত কৰ্মৰ



দিল কঁপাই তুলিছিল।

সিদিনা আমাৰ বৈঠক শেষ হওঁতে নিশা প্ৰায় ১১ মান বাজিল। মই ঘৰলৈ ঘূৰি আহি মুন্সি মনছুৰ মাছীহে কোৱা কথাবোৰ সাৱধানে গভীৰভাৱে চিন্তা কৰিবলৈ ধৰিলো। মই যিমানেই চিন্তা কৰিবলৈ ধৰিলো সিমানেই এটা কথা মোৰ মনত স্পষ্ট হৈ আহিবলৈ ধৰিলে যে **নাজাতেই হ'ল ধৰ্মৰ মূল ভেটি আৰু প্ৰধান প্ৰাণবায়ু স্বৰূপ**। এই নাজাতৰ অবিহনে কোনো ধৰ্মই সত্য ধৰ্ম হ'ব নোৱাৰে। তদুপৰি মই স্বীকাৰ কৰিলো যে অবাধ্যতা আৰু আজ্ঞা লংঘনকাৰীৰ সমষ্টিয়েই হৈছে মানুহ। সেই বাবে মানুহ কেতিয়াও গুনাহৰ দাগ মচি পৱিত্ৰ হ'ব নোৱাৰে। গুনাহেই হ'ল মানুহৰ দ্বিতীয় প্ৰকৃতি। সেইবাবেই মানুহক পাপী বোলা কথাষাৰ সত্য। এতিয়া আৰশ্যকীয় প্ৰশ্নটো হ'ল কেনেকৈ এজন মানুহে গুনাহৰ শাস্তিৰ পৰা পলাই থাকিব? কেনেকৈ এজন মানুহে মণ্ডতৰ পৰা নিজকে ৰক্ষা কৰিব? এই বিষয়টোকে কোনো ধৰণৰ পক্ষপাত নকৰাকৈ অকপট ভাৱে অনুসন্ধান কৰাটোৱেই মোৰ কৰ্ত্তব্য হৈ পৰিল। যদি ইছলামতেই নিশ্চিত ৰূপে নাজাত থাকিলেহেঁতেন, মই আল্লাহ পাকক যে কিমান ধন্যবাদ দিলোহেঁতেন। মোৰ দিন যে কিমান সুখী হ'লহেঁতেন। কিন্তু যদিহে ইছলামে আমাক নিশ্চিত ৰূপে নাজাত দিব নোৱাৰে তেনেহ'লে মই আকৌ নাজাতৰ নিশ্চয়তা থকা অন্য এটা ধৰ্ম লবলগীয়া হ'ব। যেতিয়া মই এই সিদ্ধান্ত লৈ আহিছিলো, তেতিয়া মই অনুভৱ কৰিছিলো যে মই যেন কান্দি কান্দি আঁঠু কাঢ়ি আল্লাহ পাকৰ আগত মুনাজাত কৰি আছো আৰু আল্লাহৰ আগত সিদ্ধান্ত লৈছো যে মই আগৰ নিচিনাকৈ আৰু কিতাবুল মোকাদ্দছ নপঢ়ো। এতিয়াৰ পৰা মই পাক কিতাপখন এনেধৰণে অধ্যয়ন কৰিম যাতে ইয়াৰ মাজত, অতি গুনাহগাৰ যি মই, যেন নাজাতৰ পথ আৱিস্কাৰ কৰিব পাৰো।

●●●



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

# নাজাতৰ অনুসন্ধান

সেইদিনাখনৰ পৰা মোৰ ধাৰণা অলপ সলনি কৰি এজন প্ৰকৃত হকীকত বিচাৰোতা হিচাপে কিতাবুল মোকাদ্দছ আৰু কোৰাণ শ্বৰীফ দুয়োখনৰ তুলনামূলক অধ্যয়ন আৰম্ভ কৰিলো। মোৰ মনৰ শান্তিৰ বাবে, মোৰ এজন পাৰ্চী দোস্তৰ পৰা **এভেষ্টাখন** (Zen Avesta) অধ্যয়ন কৰিবলৈ আৰু **সত্যাৰ্থ প্ৰকাশ**খনো সিদিনাই কিনি আনিছিলো। তাৰ পিচত এই কিতাপবোৰো তুলনামূলকভাৱে অধ্যয়ন কৰিলো। এভেষ্টাখন অধ্যয়ন কৰাৰ পিচত পাৰ্চী পণ্ডিতসকলৰ লগত আলোচনাও কৰিলো যদিও প্ৰকৃত নাজাতৰ সন্ধান নাপাই মই হতাশ হৈ পৰিছিলো।

তাৰ পিচত মই আকৌ স্বামী দয়ানন্দ সৰস্বতীয়ে লিখা 'সত্যাৰ্থ প্ৰকাশ' অধ্যয়ন কৰিবলৈ ধৰিলো য'ত আৰ্য্যসমাজৰ মূল ধৰ্মনীতি স্পষ্টকৈ দাঙি ধৰা হৈছে। মই আশা কৰিছিলো যে মই বিচৰা বস্তুটো তাতেই পাম কিজানি। কিন্তু তাৰ পৰিবৰ্তে তাত মোৰ মূৰৰ চুলি থিয় হৈ যোৱা মন্তব্যহে পাইছিলো। তাত আছিল আল্লাহ পাকে গুনাহ মাফ কৰিব নোৱাৰে। এনে মন্তব্য পঢ়ি মই যথেষ্ট আচৰিত হৈছিলো আৰু সিদ্ধান্ত কৰিছিলো যে নাজাতৰ বাবে আৰ্য্যসমাজৰ অন্তৰ্ভুক্ত হোৱাটো একেবাৰে অৰ্থহীন কথা। আৰ্য্যসমাজৰ মতে এজন মানুহ আৰ্য্যসমাজলৈ অহাৰ আগৰ বা পাছৰ কোনো গুনাহ আল্লাহই ক্ষমা কৰিব নোৱাৰে। অৰ্থাৎ গুনাহৰ শাস্তিৰ পৰা কোনোৱে হাত সাৰিব নোৱাৰে। ইয়াৰ উপৰিও মই আৱিস্কাৰ কৰিলো যে বেহেস্তী জীৱনৰ বাবে নাজাতৰ কথাত আৰ্য্য সমাজে একো গুৰুত্ব দিয়া নাই। মুঠতে এইটো কথা স্পষ্ট হৈ পৰিল যে আৰ্য্যসমাজৰ যোগেৰে নাজাত পোৱা নাযায়। যদি তাত নাজাতৰ কিবা পথৰ সন্ধান আছেও সেই পথ অনন্ত নহয়। যিহেতু ইয়াৰ নাজাত অস্থায়ী গতিকে আখেৰাতৰ শাস্তিলৈ সকলোৱে সদায় ভয় ৰাখিব। যেতিয়া মই এনে এটা অৱস্থা ঢুকি পালো, তেতিয়া দেখিলো যে মোৰ দৰে গুনাহগাৰে আৰ্য্য সমাজৰ যোগেৰে নাজাত পাব নোৱাৰে। তেতিয়া মই 'সত্যাৰ্থ প্ৰকাশ' অধ্যয়ন বন্ধ কৰিলো।

মই পৱিত্ৰ কোৰাণ শ্বৰীফ আৰু নিৰ্ভৰযোগ্য হাদিছ পৰীক্ষা কৰি চোৱা এক গধুৰ কামৰ মুখামুখি হৈছিলো আৰু ইয়াতে নাজাত সম্পৰ্কীয় ধৰ্মমত বিচাৰিবলৈ



*সৎ কৰ্ম্মপৰায়ন হিচাবে জীৱন-যাপন কৰিছিল আৰু অন্যায়কাৰী বিলাকক তাত আঠুকঢ়াই ৰাখি থম'* (ছুৰা মৰ্য়ম ঃ ৭১-৭২ আয়াত)।

কোনোৱে হয়তো নাজানিছিল যে মই কি হতাশাৰে এটা ভগ্ন মন লৈ এই আয়াতবোৰ পঢ়িছিলো। মই প্ৰকৃততে এজন আত্মিক ৰোগী আছিলো আৰু সেইবাবে কোৰাণখনকে চিকিৎসক ৰূপে গন্য কৰি তন্ন তন্ন কৈ অধ্যয়ন কৰিছিলো যাতে তাৰ পৰা মোৰ আত্মা সুস্থ হয় অৰ্থাৎ গুনাহৰ প্ৰতিকাৰ যেন বিচাৰি পাওঁ। ইয়াৰ পৰিবৰ্তে কোৰাণে কৈছিল, **'তোমালোক প্ৰত্যেকেই বিনাশ হ'বা, কিয়নো এয়ে আল্লাহ পাকৰ ইচ্ছাধীন কৰ্তব্য'**।

তথাপি ইছলামৰ ওপৰত থকা মোৰ শ্ৰদ্ধা ও ভক্তিয়ে তৎক্ষনাত কোনো সিদ্ধান্ত লোৱাত বাধা দিছিল। মই ভাৱিছিলো যে এই বিষয়ত হাদিছৰ টীকা বা ব্যাখ্যা বিচাৰি চোৱাই উপযুক্ত কাম হ'ব আৰু কিজানি হাদিছবোৰত পূৰ্বকালৰ নবীসকলে এই বিষয়ত কি কৈছে তাক জানিব পাৰোঁৱেই। বহুদিন বিচাৰৰ অন্তত 'মিস্কাট শ্বৰীফ ' (চুন্নি মুছলমানসকলৰ বিখ্যাত হাদিছ গ্ৰন্থ) ত কিছু কথা পালো।

ইবনে মাচুদে বৰ্ণনা কৰিছে, আল্লাহ পাকৰ ৰছুলে কৈছিল, 'সকলো মানুহে অনন্ত নৰকলৈ যাব লাগিব। তাৰ পিছত এওঁলোকে নিজ নিজ কৰ্মফল অনুসাৰে তাৰ পৰা ওলাব পাৰিব। তেওঁবিলাকৰ প্ৰথমে ওলাই অহা বিলাক পোহৰৰ চকমকনিৰ দৰে, তাৰ পিচৰ বিলাক প্ৰচণ্ড ধুমুহাৰ গতিৰ দৰে, তাৰ পিচৰবোৰ দ্ৰুতগতিৰ অশ্বাৰোহীৰ দৰে, তাৰ পিচত জপিয়াই থকা মানুহৰ দৰে আৰু সদৌ শেষত মানুহে খোজ কঢ়াৰ দৰে ওলাই আহিব'। (**তিৰমিজী ও দ্বাৰিমী শ্বৰীফ**)।

এতিয়া ওপৰৰ কোৰাণৰ আয়াতৰ কথাখিনি স্পষ্ট হৈছে। অৰ্থাৎ সকলোৱেই এদিন অনন্ত অন্ধকাৰলৈ যাবই লাগিব আৰু পিছত নিজৰ কৰ্মফলৰ বিচাৰ অনুসাৰে তেওঁলোকে তাৰ পৰা ওলাই আহিব। কোৰাণ শ্বৰীফৰ অৰ্থবোৰ বুজিবলৈ উজু আৰু ইছলামৰ ৰছুলৰ বৰ্ণনাত ইয়াৰ সমৰ্থন থকা স্পষ্ট হৈছে। সেইখিনিতে মই মোৰ অনুসন্ধান সমাপ্ত কৰিব খুজিও আকৌ এবাৰ ভালদৰে ব্যাখ্যা কৰি চাবলৈ চিন্তা কৰিলো। এইদৰে বিস্তৃত অধ্যয়ন আৰু অন্বেষন কৰাৰ পিচত মই তলত উল্লেখ কৰা আয়াতবোৰ পালো ঃ

*'তোমাৰ প্ৰভুৱে ইচ্ছা কৰাহেঁতেন সকলো মানুহকে একেটা জাতি কৰিলেহেঁতেন, কিন্তু সিঁহতে মতবিৰোধ কৰি বিভিন্ন পন্থাত চলি থাকিব।*



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

হৈছে? আনহাতে আমি কোৰাণত পঢ়িবলৈ পাওঁ যে জন্মৰ পাছৰ পৰাই মৰিয়মৰ পুত্ৰ ঈছা এগৰাকী 'আটাইতকৈ শুচি' ব্যক্তি আছিল। ফিৰিস্তাই মৰিয়মক কৈছিল এইদৰে ঃ *" তেওঁ ক'লে-মই তোমাৰ প্ৰভুৰ দ্বাৰা প্ৰেৰিত হৈ আহিছো আৰু মই তোমাক এটি পৱিত্ৰ পুত্ৰ সন্তান (দানৰ বাতৰি) দিবলৈ প্ৰেৰিত হৈছো "* (ছুৰা মৰ্য়ম ১৯ আয়াত)। তেতিয়া মই আকৌ ইঞ্জিল শ্বৰীফলৈ উভটি গলো। তাত মই তলত উল্লেখ কৰা আয়াত সমূহ পালোঃ

*'তোমালোকৰ মাজত কোনে মোক গুনাহগাৰ বুলি প্ৰমাণ দিব পাৰে?'* (ইউহোন্না ৮ঃ৪৬ আয়াত)। *'আমি তেওঁত খোদাৰ ধাৰ্মিকতা স্বৰূপ হ'বলৈ যি জনাই পাপ জনা নাই, সেইজনাকে তেওঁ আমাৰ নিমিত্তে পাপ স্বৰূপ কৰিলে'* (২য় কৰিন্থীয় ৫ঃ২১ আয়াত)। *'কিয়নো আমাৰ যি মহাপুৰোহিত, তেওঁ যে আমাৰ দুৰ্বলতাত হোৱা দুখত দুঃখ হ'ব নোৱাৰে এনে নহয়, কিন্তু তেওঁ বিনা পাপে সকলো বিষয়তে আমাৰ দৰে পৰীক্ষিত হৈছিল'* (ইব্ৰী ৪ঃ১৫ আয়াত)। *'তেওঁ কোনো পাপ নকৰিলে, তেওঁৰ মুখত কোনো ছলনা পোৱা নগ'ল, নিন্দিত হোৱা কালত তেওঁ প্ৰতিনিন্দা নকৰিলে'* (১ পিতৰ ২ঃ২২ আয়াত)। *'আৰু তোমালোকে জানা যে গুণাহ দূৰ কৰিবলৈ তেওঁ প্ৰকাশিত হ'ল আৰু তেওঁৰ কোনো গুণাহ নাই'* (১ যোহন ৩ঃ৫ আয়াত)।

গতিকে এনে যথাৰ্থ সাক্ষ্য বিলাকৰ পৰা প্ৰমাণ পোৱা যায় যে কেৱল ঈছা মছীহৰ বাহিৰে সকলো মানুহেই গুনাহগাৰ। এনেবোৰ বৃত্তান্ত জনাৰ পিচত কেৱল ভাল কাম কৰি নাজাত দাবী কৰিব খোজা, মোৰ অতি নগন্য যেন বোধ হ'ল। এইক্ষেত্ৰত ধৰ্মীয় নেতাসকল দাৰ্শনিক আৰু ঈমানদাৰ সকলেও ভাল কাৰ্য্যৰ যোগেদি নাজাত আশা কৰিব নোৱাৰে।

ভাল কৰ্মৰ যোগেৰে কিদৰে নাজাত পোৱা যায়, সেই বিষয়ে অধ্যয়ন কৰিবলৈ মই আকৌ কোৰাণলৈ উভটি গ'লো। তলত মই কোৰাণৰ দুটা আয়াত উল্লেখ কৰিম য'ত এইটো কথা স্পষ্ট হৈছে যে কোনো মানুহেই দণ্ডৰ পৰা হাত সাৰিব নোৱাৰে, লাগিলে তেওঁ যিমান মৰ্য্যদাসম্পন্ন ব্যক্তিয়েই নহওঁক কিয়।

*'তোমালোকৰ মাজত এনে কোনো ব্যক্তি নাই, যি সেই জাহান্নামত নামি নপৰিব। এই কথা চুড়ান্ত ভাৱে সিদ্ধান্ত কৰা হৈ গৈছে। ইয়াক তোমাৰ প্ৰভুৱে সিদ্ধি কৰিবই। আমি অৱশ্যে সেইসকল ব্যক্তিক ৰক্ষা কৰিম যিসকলে (পৃথিৱীত)*



যোৱাৰ আগতে মই আল্লাহ পাকলৈ হাত দাঙি মুনাজাত কৰিলো, **'হে আল্লাহ পাক, তুমি জানিছা যে মুছলমান বংশতেই মোৰ জন্ম, আৰু মোৰ পূৰ্ব পুৰুষসকলেও মছুলমান বংশতে জন্মি এই ধৰ্মতে ইন্তেকাল হৈছে। মইও এই ধৰ্মতে ডাঙৰ দীঘল হৈ শিক্ষা লাভ কৰিলো। সেইবাবেই যিবোৰে মোক তোমাৰ হকীকতৰ বিষয়ে জানিব খোজাত বাধা দিব পাৰে সেইবোৰ বাধা আতঁৰাই দিয়া আৰু মোক তোমাৰ নাজাতৰ সত্যপথ দেখুৱা যাতে মই এই অনিত্য দুনীয়া এৰি তোমাৰ ওচৰলৈ যোৱাৰ দিনাখন তুমি যেন মোত বেজাৰ পাবলগীয়া নহয়।'** আমেন।

পৱিত্ৰ কোৰাণ শ্বৰীফ অধ্যয়ন কৰি পাইছিলো যে দুনিয়াত ভাল কাম কৰাৰ যোগেদি নাজাত পোৱা যায়। কোৰাণত এই ধৰণৰ ধৰ্মমত সাব্যস্ত কৰা বহুতো আয়াত পাইছিলো, তাৰ দুটা তলত উল্লেখ কৰিলো ঃ

*'যিসকলে ঈমান আনিছে আৰু সৎ কৰ্ম কৰিছে তেওঁলোকৰ কৃতকৰ্মৰ প্ৰতিদান স্বৰূপে তেওঁলোকৰ আতিথ্যৰ বাবে জান্নাতেই হ'ব তেওঁলোকৰ বাসস্থল। আনহাতে যিবিলাকে দুষ্কাৰ্য্য আৰু পাপাচাৰৰ নীতি গ্ৰহণ কৰিছে সিহঁতৰ বাসস্থান হ'ব জাহান্নাম। যেতিয়াই সিঁহতে তাৰ পৰা ওলাই আহিবলৈ উদ্যত হ'ব — তেতিয়াই সিঁহতক তালৈ ঘূৰাই পঠোৱা হ'ব আৰু সিঁহতক কোৱা হ'ব তোমালোকে যি অগ্নিৰ শাস্তি মিছা বুলি অস্বীকাৰ কৰিছিলা এতিয়া তাৰেই সোৱাদ লোৱা'* (ছুৰা আছ-ছাজ্‌দা ঃ ১৯-২০ আয়াত)।

*'যি মানুহে অণু-পৰমাণু পৰিমাণো সৎ কৰ্ম কৰিছে সেয়া সি দেখিবলৈ পাব আৰু যিজনে অণু-পৰমাণু পৰিমাণো অসৎ কাম কৰিছে সেয়াও সি দেখিবলৈ পাব'* (ছুৰা আয-যিল্‌যাল ঃ ৭-৮ আয়াত)।

প্ৰথম দৃষ্টিকোণত এই আয়াতবোৰ মোৰ বাবে বৰ সুন্দৰ আৰু আৰামদায়ক আছিল যদিও সকলো সময়তে মোৰ হৃদয়ত প্ৰশ্ন জাগিছিল, 'সদায়ে ভাল কাম কৰি কৰি কোনোদিনেই বেয়া কাম একেবাৰে নকৰাকৈ থকাটো আমাৰ কাৰণে জানো সম্ভৱ? মানুহৰ এনে শক্তি আছে নে বাৰু? এই কথাবোৰ যেতিয়া গভীৰভাৱে বিশ্লেষন কৰিছিলো আৰু যেতিয়া মানহৰ কুদৰত আৰু গজবৰ বিষয়ে ভাবিছিলো, তেতিয়া মোৰ বাবে এইটো স্পষ্ট হৈ পৰিছিল যে কোনো মানুহ বেগুনাহ হৈ থকা অসম্ভৱ। মানুহৰ এনে কোনো শক্তি নাই যে তেওঁলোকে সদায়ে ভাল কাম কৰি থাকিব পাৰিব।



Document Produced by deskPDF Unregistered :: http://www.docudesk.com

এগৰাকী নৈষ্ঠিক আৰব দাৰ্শনিকে দাবী কৰিছিল যে মানুহৰ মাজত চাৰিবিধ শক্তি আছে যাৰ যোগেদি মানুহৰ প্ৰকৃতি প্ৰকাশিত হয়। এই চাৰিবিধৰ ভিতৰত তিনিবিধে এবিধৰ বিৰুদ্ধে কাম কৰে। এই চাৰিবিধৰ ভিতৰত এবিধ মাত্ৰ ৰূহানী শক্তি যিটোৱে মানুহক আল্লাহ পাকৰ ওচৰলৈ লৈ যায়, আল্লাহ পাকৰ আহ্বান মানিবলৈ সহায় কৰে, কিন্তু এইবিধ ৰূহুৰ কাৰ্য্য মানুহৰ পৰা অদৃশ্য হৈ থাকে। আনহাতে আন তিনিবিধ ক্ষমতাৰ ঐক্য শক্তিৰ কাৰ্য্যই মানুহক তৎক্ষণাত উচটনি দি সন্তোষ লগাব পাৰে। সেইবাবে মানুহৰ মনে কেৱল এই দুনিয়াৰ ওপৰ ভাগত কি আছে তাকহে দেখা পায়, তেওঁলোকে কেৱল বৰ্তমানটোৰ কথা চিন্তা কৰি পাৰ্থিব বস্তুৰ ওপৰতহে অধিক গুৰুত্ব দিয়ে আৰু তেনেকৈয়ে তেওঁলোক আল্লাহ পাক আৰু পাকৰূহৰ ওচৰত গুৰুত্ব নোহোৱা হৈ যায়। এগৰাকী মুছলমান নেকবান্দাই এই বিষয়টো তলত দিয়া ধৰণে বৰ্ণনা কৰিছিল।

*‘মই চাৰিবিধ বস্তুৰ জালত বন্দী যাৰ ৰাজত্বই মোৰ দুঃখ যাতনাৰ কাৰণ। এই চাৰিবিধ বস্তু হ’ল — চয়তান, দুনিয়া, কামভাব আৰু লোভ। যেতিয়া এই চাৰিওটাই মোৰ শত্ৰু, মই কেনেকৈ ইঁহতৰ পৰা মুক্তি পাব পাৰো? মাংসিক লোভে মোক প্ৰলোভিত কৰি লম্পটতাৰ অনন্ত অন্ধকাৰলৈ মোক ঠেলি পঠিয়াই।’*

এইগৰাকী আৰব দাৰ্শনিকে কোৱাৰ দৰে তিনিবিধ শক্তিয়ে আনবিধ আত্মিক শক্তিৰ ওপৰত ৰাজত্ব লাভ কৰিছিল যাৰ ফলত আদমে (আঃ) আল্লাহ পাকৰ আহকাম উলংঘা কৰিছিল আৰু তাৰ ফল আজিও তেওঁৰ উত্তৰাধিকাৰীসকলে ভোগ কৰিছে।

আবু হুৰাইৰাৰ বৰ্ণিত এটা হাদিছত আছে, আল্লাহৰ ৰছুলে কৈছিল, ‘যেতিয়া আল্লাহই আদমক সৃষ্টি কৰিছিল, তেতিয়া তেওঁ আদমৰ শৰীৰৰ পিছফালে আঘাট কৰিছিল আৰু আল্লাহই আৰম্ভণিৰ পৰা কিয়ামত লৈকে যিমান মানুহক সৃষ্টি কৰিব সেই সকলোবোৰ তেওঁৰ সন্মুখত আহি পৰিল। তেতিয়া আল্লাহই প্ৰত্যেক চকুৰ মাজত পোহৰ দি আদমৰ ওচৰলৈ লৈ আহিছিল। ‘হে মোৰ আল্লা, এওঁলোক কোন?’ আদমে সুধিছিল। তেতিয়া আল্লাহই উত্তৰ দি ক’লে, ‘এওঁলোক তোমাৰ বংশধৰ।’ তেতিয়া সেইবিলাকৰ মাজৰ এজনক দেখি আদম তধা লাগি ক’লে, ‘হে আল্লাহ তুমি এওঁৰ জীৱনকাল কিমান দীঘলীয়া কৰিলা?’ তেওঁ উত্তৰ দি ক’লে, ‘যাঠি বছৰ।’ আদমে আকৌ সুধিলে, ‘হে খোদাবন্দ, মোৰ পৰা



চল্লিশ (৪০) বছৰ নি তেওঁৰ জীৱনকালৰ আয়ুস এশ (১০০) বছৰলৈ বৃদ্ধি কৰা’।

আল্লাহৰ ৰছুলে কৈছিল, ‘যেতিয়া আদমৰ জীৱনকাল সেই চল্লিশ বছৰ বাদে পৰিপূৰ্ণ হৈছিল তেতিয়া মৃত্যুদূত তেওঁৰ ওচৰলৈ নামি আহিছিল। তেতিয়া আদমে তেওঁৰ জীৱনকালৰ আৰু চল্লিশ বছৰ থকা বুলি দাবী কৰাত মৃত্যুদূতে কৈছিল, ‘হে আদম, তোমাৰ পুত্ৰ দায়ুদক তুমি জানো তোমাৰ আয়ুসৰ চল্লিশ বছৰ দিয়া নাছিলা? আদমে এই কথা অস্বীকাৰ কৰাত তেওঁৰ পৰা উৎপন্ন হোৱা সকলো পাপ তেওঁৰ বংশধৰলৈ বাগৰি আহিছিল’। **(তিৰমীজি)।**

এই হাদিছমতে এইটো স্পষ্ট হয় যে আদমৰ যোগেৰে গুনাহ দুনিয়াত প্ৰৱেশ কৰিলে আৰু আদমৰ সকলো সন্তান গুনাহগাৰ হ’ল। সেই দেখি নেক বান্দাসকলেও তেওঁলোকৰ গুনাহ স্বীকাৰ কৰিছে। এইদৰে প্ৰথম নবী আদম আৰু হাৱাই কয়, *‘তেওঁলোক দুয়ো ক’লে হে আমাৰ প্ৰভু আমি নিজেই নিজৰ প্ৰতি অন্যায় কৰিলো। তুমি যদি আমাক ক্ষমা নকৰা তেনেহ’লে নিশ্চয় আমাৰ অধঃপতন হ’ব’* (ছুৰা আল-আৰাফ ঃ ২৩ আয়াত)।

সেই একেদৰে ইব্ৰাহীম নবীয়েও কৈছে, *‘হে প্ৰভু, মোক আৰু মোৰ পিতৃ-মাতৃক আৰু সকলো বিশ্বাস স্থাপনকাৰীক হিচাপ লোৱাৰ দিনাখন ক্ষমা কৰি দিবা’* (ছুৰা ইব্ৰাহীম ঃ৪১ আয়াত)। ইছলামৰ ৰছুলে এইদৰে আল্লাহক মুনাজাত কৰিছে, *‘হে আল্লাহ পাক, মোৰ গুনাহ বৰফ পানীৰে ধুই দিয়া’* (বুখাৰি)। ইছলামৰ ৰছুলৰ প্ৰথমজন খলিফা আবু বক্কৰ তেওঁৰ বিখ্যাত কবিতাত কৈছে, **‘হে আল্লাহ পাক, মই অতি গুনাহগাৰ, কিদৰে মোৰ নাজাত হ’ব? দুনিয়াত গুনাহে মোক হেঁচি ধৰিছে যদিও মই বেগুনাহ ঈমানদাৰ হ’ব খোজো’।**

ইয়াৰ লগতে তলত দিয়া কোৰাণৰ আয়াতেও প্ৰতিপন্ন কৰিছে যে সকলো মানুহেই গুনাহগাৰ। *‘প্ৰকৃততে মানুহে নিজ প্ৰভুৰ প্ৰতি অকৃতজ্ঞ আৰু সি নিজেই ইয়াৰ সাক্ষী’* (কোৰাণ ১০০ঃ ৬-৭ আয়াত)।

এই ক্ষেত্ৰত মই আন এটা চিন্তাৰ মুখামুখী হৈছিলো ঈছা মছীহ আমাৰ দৰেই এজন মানুহ নাছিল জানো? কোৰাণ শ্বৰীফৰ আন আন নবীসকলৰ গুনাহৰ কথা উল্লেখ আছে। কথা হ’ল— ‘ঈছা মছীহৰ কোনো গুনাহৰ কথা কোৰাণত কিয় উল্লেখ নাই?’ ঈছা মছীহকেই বেগুনাহ ৰূপে কিয় উল্লেখ কৰা



Document Produced by deskPDF Unregistered :: http://www.docudesk.com